অমূল্য ৰত্ন।

মাধৱদেৱৰ দ্বাৰা
ৰচিত।

প্ৰকাশক।

এজেন্সি কোম্পানী।

পোঃ অঃ বিহাবাৰী আসাম।

২য় সংস্কৰণ,

আসাম বিহাবাৰী, গৌৰীশঙ্কৰ যন্ত্ৰত
শ্ৰীবজ্ৰেশ্বৰ চক্ৰবৰ্ত্তীৰ দ্বাৰা ছাপা হ'ল।

মূল্য ।৶০ ছয় অনা মাথোন।

অমূল্য ৰত্ন।



শ্রীশ্রীকৃষ্ণায় নমঃ।

জয় জয় দৈৱকী নন্দন সদাশিৱ।
যাত নিবাসয় চৰাচৰ যত জীৱ॥
যিটো ব্ৰহ্মা পুৰুষোত্তম দৈৱকী নন্দন।
শঙ্কৰ স্বৰূপে তেন্তে ভৈলা উতপন॥
ভোজন কৰিয়া চৌৰা গৃহে বসিলন্ত।
ভকতক সুমাইবাক আজ্ঞা কৰিলন্ত॥
ভক্ত সুমাইবাৰ পাছে আপুনি দেখিলো।
পাছে আমি যাই সেহি চৰণে পশিলো॥
নিজ ভৃত্য কৰি মোক নাথ নাৰায়ণ।
মোক লগে লৈয়া যোৱা পশিলো শৰণ॥
এহি বুলি পাৱে পৰি মাধৱ প্ৰাৰ্থয়।
শুনি ব্ৰহ্মৰূপী গুৰু ভৈলন্ত সদয়॥

মোৰ আখি মুখ মুহিলন্ত তেতিক্ষণ।
জানিজ্ঞোহো গুৰু মোত ভৈলন্ত প্ৰসন্ন ॥
কৰজ্ঞোৰ কৰি পাছে বুলিলো বিনয়
ৰহস্য ভকতি মোত কৈয়ো কৃপাময়।
শৰণ ভজন ভক্তি কহিয়ো সাক্ষাত ;
যেন মন্তে তয়ু গুণ হোৱয় প্ৰক্ষাত ॥
উদ্ধৱৰ আগে যিটো ৰূপ দৰশাইলা ;
শিশু অশ্বত্থৰ তলে মৈত্ৰেয় দেখিলা ।
ভৃত্য হেন জানি যদি মোত আছে দয়া,
দেখায়োক প্ৰভু কেনমত তয়ু কায়া ॥
আপোনাৰ ছদ্মৰূপ তেখনে এড়িলা ;
চতুৰ্ভুজ ৰূপে হৰি তৈতে দেঁখা দিলা।
শঙ্খচক্ৰ গদাপদ্ম গৰুড় বাহন ।
প্ৰত্যক্ষ স্বৰূপে ব্যক্ত ভৈলা নাৰায়ণ ॥
শৰীৰৰ কান্তি অতি চাহন নযায়।
কোটী সূৰ্য্যসম প্ৰকাশন্ত নিজ কায় ॥
দেখিয়া মাধৱে আতি ভৈলন্ত বিস্ময়।
শৰীৰৰ কান্তি নিহালন্ত অতিশয় ॥
চাৰি বেদে মুৰ্ত্তি ধৰি উপাসে চৰণে।
কুমুদ সুনন্দ নন্দ পাৰিষদ গণে ॥
দেখিয়া মাধৱ অতি ভৈলা শঙ্কুচিত ;
চৰণত দণ্ডৱতে পৰিলা ভূমিত ॥
নমো নাৰায়ণ নিৰাকাৰ নিৰঞ্জন।
পুৰাণ পুৰুষ তুমি দৈৱকী নন্দন ॥

সঙ্গীৰো নায়ক প্ৰভু জগত কাৰণ।
নিজ কৃপাগুণে মোত হুয়োক প্ৰসন্ন ৷
শঙ্কৰ নামৰ যিটো অন্বয় আছয়।
মোক কৃপাকৰি প্ৰভু কহিয়ো নিশ্চয় ॥
শুনি হৰি হাসি পাছে বাক্য বুলিলন্ত ৷
শঙ্কৰ নামৰ অন্বয়ক কহিলন্ত ॥
যিবা হেতু শিৰি পদ আমাত আছয় ৷
লক্ষ্মীৰ যতেক শ্ৰী আমাত হোৱয় ॥
পাঞ্চজন্য শঙ্খ যিটো হাতত আছয়।
অসঙ্গী জীৱক সঙ্গ কৰাইবো নিশ্চয় ॥
শঙ্কৰ নামৰ জানা এহিসে অন্বয়।
এহি হেতু জানা মোক শঙ্কৰ বোলয়।
ব্ৰহ্মা হৰ ইন্দ্ৰ চন্দ্ৰ যতেক আছয়।
তাৰা সবে জানা মোকসদা উপাসয় ॥
সবে দেৱগণে পৰি পৰি কৰে সেৱ।
এহি হেতু জানা মোক বোলে ইষ্টদেৱ
তিনি ভুৱনৰ ভাৰ যতেক আছয়।
স্বৰ্গ মৰ্ত্য পাতালৰ যত জীৱ চয় ॥
সমস্তৰ ভাৰ যিটো মোতেসে আছয়
এহি হেতু মোক গুৰু জগতে বোলয়।
তিনি গুণ যিটো মোৰ দেহত আছয়।
এহি তিনিগুণ যাত থাকয় নিশ্চয় ॥
গুৰুদেৱ ভক্ত পদ তাহান্ত ঘটয়।
এহি তিনি গুণ যাত তাক গুৰু কয়॥

বৈকুণ্ঠ মধ্যত যিটো ভৌমা পুৰুষোত্তম।
মোত পৰে নাহি জানা পুৰুষ উত্তম॥
সেহি ব্ৰহ্ম আসি ব্ৰহ্ম জন্মক ধৰিলো।
মহা পুৰুষ নাম তাতে আসি হৈলো॥
মহা প্ৰলয়ত আসি যত জীৱ চয়।
মোৰ শৰীৰত সবে নিবাস কৰয়॥
অন্তকালে মোত আসি সবে লয় যায়।
এহি হেতু সবে মোক গৃহস্থ বোলয়॥
পৰম ৰহস্য কথা কহিলো বিচাৰি।
এহি হেতু মোক সবে বোলে জ্ঞানাগিৰি।
শিৱ আৰাধন্তে বৰ পাইলন্ত নিশ্চয়।
হৈবন্ত শঙ্কৰ নাম তোমাৰ তনয়॥
শিৱ আৰাধনে বৰ পিতৃয়ে লভিলে।
এহি হেতু মোৰ নাম শঙ্কৰ যে ভৈলে॥
মোৰ নাম ধৰি আত্মা ভৈলা পৰিচৰ।
এহি হেতু আত্মা মোক জগতে বোলয়॥
বালিচাহি পৰ্য্যন্তে সবাৰো হৃদয়ত।
সমস্তকে প্ৰবৰ্ত্তায় আছোহো যাৰত॥
সমস্ত লোকক যিটো আছো প্ৰবৰ্ত্তাই।
এহি হেতু লোকে মোক আচাৰ্য্য বোলয়॥
কুমুদাদি কৰি পাৰিষদ বাঢজন।
বাড় সংখ্য আসি আবে ভৈলা এহি থান॥
শ্ৰৱণ ভজন দুই জনে আসি ভৈলা।
দেৱ শুক দুইকো নিয়া হৃদয়ে ধৰিলা॥

অষ্টদল পদ্ম মধ্যে আসন যে দিবা।
এহি মতে মোক তুমি তথাতে দেখিবা॥
পদ্মৰ চকাত হেম-ময় আসনত।
মোক নিয়া তাতে তুমি থাপিবা তাৰত॥
দুই ভুজ দেখি মোক শৰণ কৰিয়া।
একান্ত ভক্তক নিয়া পশ্চিমে থাপিবা॥
মোহোৰ পাৰত পাছে দুইহাস্তে পশিলা।
পুবৰ পাশিত আগে দেৱক থাপিবা॥
দুই ভুজ মাত্র সেই দেৱক দেখিবা।
মোৰ আসনত নিয়া দেৱক বৈসাইবা॥
গুৰুত শৰণ কৰি দেৱক ভজিবা।
তোমাৰ মনত কোনো কথা নাভাবিবা॥
কাহাক মানিবো মই ভকত কৰিয়া।
স্বৰূপ কৰিয়া মোক উপদেশ দিয়া॥
তুমি শিৰ সমে দুই ভক্তক মানিবা।
মোহোৰ কাযত পাছে দুইহাস্তো থাপিবা॥
বাঢ় জন ভক্ত চয় পাশিত থাপিবা।
দুই জন কৰি এক পাশিত দেখিবা॥
শূদ্ৰ কুলে কি কাৰণে জন্মিলা গোসাঁই।
স্বৰূপ কৰিয়া মোত কহা অভিপ্ৰাই॥
সহস্ৰ নামে হৰ মুকুত ভৈলন্ত।
বৈকুণ্ঠক লাগি পাছে তেখনে গৈলন্ত॥
বুলিলন্ত পাছে মোৰ চৰণক চাই।
তুমি হেন বন্ধক অঁশৰ কৰিলো গোঁসাই॥

মোৰ কেন গতি হুইব প্ৰভু নাৰায়ণ।
কহিয়ো কাৰণ মই পশিলো শৰণ ॥
বান্দে গৈয়া কুসুম লৈবেক সেহি থাই।
তোমাক আৰাধি পুত্ৰ প্ৰাৰ্থিবেক যাই ॥
দিবা তুমি বৰ পাছে আতি ৰঙ্গ মনে।
তোমাৰ নামক ধৰি জন্মিবো তেখনে ॥
তুমি যত জীৱ মানে কৰিলা সংসাৰি।
এক শৰণ কহি আমি নিবোহো নিস্তাৰি ॥
কলা বিভূতিৰ অংশ যত অৱতাৰ।
এক জীৱ তাৰিবে শক্তি নৈভৈল আমাৰ ॥
ইবেলি যিমতে মই অৱতাৰ ভৈলো।
অংশ অৱতাৰ আদি সবে লগে নিবো ॥
শূদ্ৰ কুলে তোমাৰ মই নামক ধৰিবো।
এক শৰণক কহি লোক নিস্তাৰিবো ॥
পৰম মুকুত কৰি বৈকুণ্ঠক নিবো।
মোহোৰ পাশত থান অপ্ৰয়াসে দিবো ॥
শুনি হৰ ভৈলা আতি সন্তোষিত মন।
কৈলাশক লাগি চলি গৈলা তেতিক্ষণ ॥
সেহিবাক্য সাম্ফলিবে ভৈলা মোৰ মন।
শঙ্কৰ স্বৰূপ ধৰি জন্মিবো তেখন ॥
মহাদেৱ অলঙ্কাৰ যতেক আছয়।
কোনে কোন সেৱা কৰি সম্প্ৰতি থাকয়
বোলন্ত শুনিয়ো এৰে মাধৱ এখন।
মোহোৰ পাৰৰ নখ চন্দ্ৰ দিতোপন ॥

তাৰ এক অংশে গৈযা মাথাত নিশ্চয় ।
অৰ্দ্ধচন্দ্ৰ কলা হুই মাথে প্ৰকাশয় ॥
নাৰদৰ হাতে যিটো বীণা যে আছয় ।
হৰৰ ডম্বৰু আসি ভৈলন্ত নিশ্চয় ॥
ব্ৰহ্মাৰ যে অংশ সৰ্প কঙ্কন যে হাৰ ।
সৰ্ব্ব গাৱে ভৈলেক সৰ্পৰ অলঙ্কাৰ ॥
সুধন্বা সুৰথে ভক্তি পূৰ্ব্বে কৰিলন্ত ।
তাৰমুণ্ডমালা পাছে গলত ভৈলন্ত ॥
একান্ত ভকাত আক নতি কৰিলন্ত ।
দক্ষৰ যজ্ঞত তেন্তে প্ৰাণ তেজিলন্ত ।
জনমে জনমে দেবী পাৰ্ব্বতী মৰন্ত ।
ভকত জানিয়া হৰে তান মুণ্ড লন্ত ।
ৰামৰ বাকলে বাঘ চাল যে ভৈলন্ত ।
বামনৰ পদ ধূলা ভস্ম কৰিলন্ত ।
গৰুড়ৰ অংসে আসি বৃষভ যে ভৈলা ।
হৰৰ বাহন হুই কৈলাশত ৰৈলা ॥
কোন জনে কোন ভক্তি কিমতে ভৈলন্ত
কোন কোন ভক্ত ইথানত আসিলন্ত ॥
ব্ৰহ্মা ভৱ মনু আদি ভক্ত বাঢ় জন ॥
তাৰা সবো বৈকুণ্ঠক ভৈলা উপসন ॥
পঙ্কজ বৈকুণ্ঠে মই আছো ৰঙ্গমনে ।
বাঢ়জন ভক্ত গৈলা তৈতে তেতিক্ষণে ।
দেবাসৱে স্তুতি নতি বিস্তৰ কৰিলা ।
দেখিলে মোৰ মহা মায়া উপাজিলা ।

মহা স্নেহে তাসম্বাক বুলিলোহো বাণী ।
কলিৰ শেষত মই জন্মিবো আপুনি ॥
যত অংশ আছে মই নিবো স্বৰূপত ।
তোৰা সৱে আবে মোৰ চলিয়ো জগত ॥
হেন শুনি মহাৰঙ্গ ভৈলা ভক্তগণ ।
যাইবো তয় সঙ্গে সবে প্ৰভু নাৰায়ণ ॥
এহি বুলি তাৰা সবে গৈলা নিজস্থান ।
কলিৰ যে তিনি শত বৰিষ প্ৰমাণ ॥
এহি সময়ত মই জন্মিলো হৰিষি ।
তাতো আসি সুদ্ধ ধৰ্ম্ম কৰিলো হৰিষি ॥
কৰযোৰ কৰি স্তুতি কৰিলো বিস্তৰ ।
নমো নমো গুৰু ব্ৰহ্মাদেৰ হৃদীশ্বৰ ॥
তোমাৰ যে পত্নী কোন কহিয়ো কাৰণ ।
শুনি ইষ্ট আত্মা পাছে দিলা সন্নিধান ॥
পূৰ্ণ লক্ষ্মী আসি সূৰ্য্যৱতী যে ভৈলন্ত ।
কালিকা নাম সৰস্বতী জন্মিলন্ত ॥
কামদেৱে আসি ৰামানন্দ যে ভৈলন্ত ।
তাহান গৰ্ভত তিনি পুত্ৰ জন্মিলন্ত ॥
কৃষ্ণত পুত্ৰ গদে কমল লোচন নাম ।
হৰি চৰণ যে জাম্বৱতী সুত সাম ॥
পুৰুষোত্তমক গদ ভাতৃ যে জানিবা ।
চতুৰ্ভুজ নামে যাই সাত্যকি জন্মিবা ॥
আপোনাক কোন তুমি চিনিলা এখন ।
বলোভদ আসি তুমি জন্মিলা এখন ॥

বলোভদ্র জন্ম জাতো শ্রেষ্ঠ যে আছিলা।
মাগর স্বরূপে আসি তাতে হিন্ ভৈলা ॥
কুরুক্ষেত্রে যাত্রা করিলন্ত যি বেলাত।
মহাখেদে নন্দে মোক বাক্য বুলিলন্ত ॥
জাতো তোর নিজ পিতৃ মাতৃক পাইলন্ত।
অনাথিনী করি মোক তাতে এরিলন্ত ॥
আউর জন্মে কুসুম হুইবাক তুমি যাই।
যশোদায়ো কালিন্দ্রা হৈবাহা সেহি ঠাই ॥
দৈবজ্ঞ গণিয়া সত্যসন্ধ নাম থৈব।
তয়ো গৈয়া পাছে শূদ্র কলত জন্মিব ॥
তোমার ঔরষে পুত্র জন্মিবোহো যাই
শঙ্কর নামক ধরি তোমার যে ঠাই ॥
পিতৃ মাতৃ তোরা নন্দ যশোদা আছিলা।
মোক ইটো কথা কহি সংসয় গুচাইলা ॥
কৃপাময় গুরু মোত হয়োক প্রসন।
ভক্তর চরিত্র কহা নাথ নারায়ণ ॥
ভকতর কথা কহো তাক শুনিয়োক।
কোন আসি ঐত আবে ভৈল কোন লোক।
অক্রূরে আসিয়া ঐত উবনা ভৈলন্ত।
উগ্রসেন বনবরা হুইয়া জন্মিলন্ত ॥
পূর্ণ কৃষ্ণ নামে আসি রাধা যে ভৈলন্ত।
সেই রাধা জানা অবে ছন্দরি ভৈলন্ত ॥
ছন্দরির গর্ভে যিটো ধ্বজা আসি ভৈলা।
পূর্ণা নামে আসি ঐত ধ্বজা নাম হৈলা ॥

আমাৰ যে অৰ্দ্ধ অংশে জগন্নাথ ভৈলা।
সেহিসে কাৰণে ধ্বজা তান্ত মিল গৈলা ॥
কতেক দিনক লাগি ভক্তি ৰহিবেক।
কাৰ অংশে কোন কোন পুত্ৰ জন্মিবেক ॥
পুৰুষোত্তম কিছু বংশ নৰহিব।
হৰি চৰণৰ পুত্ৰ চতুৰ্ভুজ হুইব ॥
চতুৰ্ভুজ বীৰ্য্যে নাৰায়ণ উপজিবা।
দৈবকী নন্দন নাম তান পাছে হুইবা ॥
কহিয়োক বাপ তান জন্ম কিকাৰণ।
শুনি নিজ আত্মা শুক বুলিলা বচন ॥
শুনিয়োক নাৰায়ণ জন্মৰ কাৰণ।
ধনঞ্জয় অঙ্গীকাৰ কৰিলা যখন ॥
বিপ্ৰৰ পুত্ৰক মই আনিবাক গৈলো।
কালিপুৰ অৰ্জ্জুন সহিতে প্ৰবেশিলো ॥
তোমাৰ কোলাত নাৰায়ণক দেখিলো।
চৰণত পৰি দুয়ো প্ৰণাম কৰিলো ॥
কৰযোড় কৰি স্তুতি কৰিলো বিস্তৰ।
শুনি হাসি নাৰায়ণে দিলন্ত উত্তৰ ॥
দুইকো ব্ৰহ্মাদেৱে আসি মোত মাগি নিলা।
দেৱতা গণৰ কাৰ্য্য সমস্ত সাধিলা ॥
আমাক যে তান অংশ যি হেতু বুলিলা।
তাতে আসি বাক তাম ইঠাইক লাগিলা ॥
জন্মি পাছে চিৰকাল ঐত নাথাকিবা।
পাচ ছয় বৰিষতে শৰীৰ পৰিবা ॥

আপোনাৰ ৰাজ্যে থান পাইবা পাছে যায় ।
তাহান জন্মৰ আবে কৈলো অভিপ্ৰায় ॥
চতুৰ্ভুজ বীৰ্য্যে পাছে সুভদ্ৰা হুইবেক ।
তান গৰ্ভে পাছে ধনঞ্জয় আসিবেক ॥
জগজীৱ নাম পাছে তাহান হৈবেক ।
অনন্তৰায় নাম জানা প্ৰসিদ্ধ হৈবেক ॥
মহা শুদ্ধমতি শুদ্ধ ধৰ্ম্মে প্ৰবৰ্ত্তিব ।
কোপে তাপে দোষে তাঙ্ক একোৱে নুছুইব ॥
হৰত ৰাখিল' ৰৰ সিংহাসন মনে ।
এক ৰৰ ৰাখো আসি ভৈলন্ত অৰ্জ্জুনে ॥
আমাৰ বংশত ধনঞ্জয় জন্মিবেক ।
নবধিক যাঠি যেবে বছৰ হুইবেক ॥
তাহাৰ সুকৃত বুঝিবেক সৰ্ব্বজনে ।
আমাৰ পাশক তেন্তে পাইবন্ত তেখনে ॥
ধনঞ্জয় সখি জানা মোৰ জীৱপ্ৰাণ ।
মোহোৰ নিকটে তাঙ্ক দিবো নিয়া ঠান ॥
গোবিন্দ পুৰিয়া চতুৰ্ভুজৰ বহিনী ।
তান গৰ্ভে অনিৰুদ্ধ জানিবা আপুনি ॥
দামোদৰ তান নাম প্ৰসিদ্ধ হুইবেক ।
অনিৰুদ্ধ অংশে আসি জন্ম ধৰিবেক ॥
যদুবংশে পাণ্ডুবংশে দুয়ো এক কাই ।
এতেকেসে দুয়ো কুল ভৈলা একে ঠাই ॥
দামোদৰ বীৰ্য্যে যুধিষ্ঠিৰ আদি হুইব ।
সৰ্ব্বক্ষণে তান যেবে ক্ৰোধ হুগুছিব ॥

যমাকান্ত নাম তাৰ জগতন্তে সাৰ।
সৰ্ব্বদায়ে সুগুচিব ক্রোধ অহঙ্কাৰ॥
যিতো যুধিষ্ঠিৰক যে চুইলে হবে পাপ।
যিকাৰণে বাপ তান হুইব কোপতাপ॥
মহা শুদ্ধমতি তেহে মিছা মাতিলন্ত।
হোৱে অশ্বত্থামা কিন্ত গজ বুলিলন্ত॥
সেহি পাপ ফলে তান আসি লাগৈলেৰ।
মহা বৈৰ বুদ্ধি তাম সদা সুগুচ্ছিব॥
যাতো আসি আমাৰ বংশত জন্মিবেক।
আমাৰ পাশক যাই তথাপি পাইবেক॥
অনন্তৰায়ৰ পুত্ৰ নকুল হৈবেক।
ৰামৰায় নাম জানা তাহান বৈবেক।
আৰু এক বীৰ্য্যে তান পুত্ৰ জন্মিবেক॥
সহদেৱে অংশে বিষ্টোৰাম যে হইবেক॥
অভিমন্যু অংশে আক আমি পুত্ৰ যায়।
মহাশান্ত মতি আৰু হুইব হৰিৰায়॥
ৰামৰায়ৰ পুত্ৰে পাছে হুইব শ্ৰীৰায়।
মহা ধৰ্ম্মবন্ত তেন্তে জন্মিজয়ে যায়॥
শুদ্ধ সত্ত্ব ধৰ্ম্ম মাত্ৰ তেহেন্তে কহিব।
তেহে আৰ তৈলে ধৰ্ম্ম লুপুত যে হুইব॥
তাহান পাছত অন্য ধৰ্ম্ম প্ৰবৰ্ত্তাইবো।
ইটো নাম ধৰ্ম্ম আৰ কহন্তা নহৈব॥
ভীমৰাজ অংশে সুমিত্ৰাৰ গৰ্ভে যায়।
তান পুত্ৰ হুইবে জানা কৈলো অভিপ্ৰায়

আৰু দুই পুত্ৰ তান গৰ্ভে আসিবেক ।
কালিন্দ্ৰিৰ দুই পুত্ৰ তাতে জন্মিবেক ॥
যদু বংশে যত যত আছে পত্নীগণ ।
পাণ্ডৱৰ নাৰী সব আছে যত মান ॥
যতেক গোপীৰ কৃষ্ণে স্তন ভুঞ্জিলন্ত ।
দেৱ নাৰী অংশ আসি তেসম্বা ভৈলন্ত ॥
গোকুলসৰ মথুৰাৰ তৃণ তৰু মান ।
সবান্ধবে আনি আমি আছো এহি থান ॥
অষ্টাধিক এক শত ষোড়শ হাজাৰ ।
যদুবংশ জীৱ বধূ যতেক আমাৰ ॥
তাৰা সৱা আমাৰ যে লগে আসিলন্ত ।
ত্ৰেত ভাৰ্য্যা পুত্ৰ বধূ তেসম্বে ভৈলন্ত ॥
স্বৰ্গ মৰ্ত্ত্য যত যত দেৱতা আছয় ।
ভালুক বানৰ হুয়া সবে জন্ম লয় ॥
ৰাম অৱতাৰে সবাহাক্তে স্বৰ্গে নিলো ।
কৃষ্ণ অৱতাৰে যদু বংশক আনিলো ॥
মোক ব্ৰহ্ম বুলি মানিবাক নপাৰিলা ।
তেসম্ব সহিতে সম আমাক দেখিলা ॥
এহিহেতু তাসম্বাৰ গতি নলভিল ।
ইয়োজন্ম তাসম্বাৰ তাতেসে লাগিল ॥
পায়ে পৰি তান দুই চৰণত ধৰি ।
বুলিলা মাধৱে পাছে নমস্কাৰ কৰি ॥
আই সকলৰ আবে কহিয়ো কাৰণ ।
কোনজন কোন আছি ত্ৰেত ভৈল কোন জন

মনু নাম যিটো জীব আমাৰযে ভৈল।
কক্মিণীৰ জীৱ সত্যব্ৰতীত জন্মিল ॥
কামিনী যে নামে ৰমানন্দৰ বহিণী।
জাম্বৱতীৰ জীৱতেহে জানিবা ইন্দুনী ॥
হৰিচৰণ নন্দনী যে গোবিন্দ পুৰীয়া।
সত্যভামা জীৱ দেৱহুতিয়ে আসিয়া ॥
ৰোহিণী দুহিতা সতি আসিব ইঠাই।
তাহান যে কান্তী নাম হইবে জনা যায়
কালিন্দ্রিৰ গৰ্ভে যিটো অদিতি ভৈলেক।
অনন্ত পুৰিয়া নাম তাহান হইবেক ॥
কেহোপুৰিয়া নাম যাহাক বুলিবা।
ভদ্রাৰেসে জীৱতেহে কক্মিনী আসিবা ॥
মিত্র বৃন্দাৰ গৰ্ভে যিটো দিতি জন্মিলন্ত।
সুভদ্রা যে নাম তান অহিতে হৈবন্ত ॥
যিটো সত্যৱতী জীব নামত ভবানী।
অভয় পুৰিয়া হইয়া জন্মিবা আপুনি ॥
লক্ষ্মণত জীৱ যাক অহল্যা বোলয়।
সুমিত্রা যে নাম তান হৈবেক নিশ্চয় ॥
ৰমানন্দ পত্নী জাম্বুৱতী যে আসিবা
হৰিচৰণৰ ভাৰ্য্যা কান্তীয়ে যে হৈবা
পুৰুষোত্তমে দুই কন্যা বিহাইবেক।
ভদ্রা মিত্রবিন্দা তুমি জানা তাসৱাক ॥
চতুৰ্ভুজে চাৰি কন্যাক বিহাইব।
সত্যভামা সত্য আৰু লক্ষ্মণা আসিব ॥

কৃষ্ণ ভাৰ্য্যা ৰোহিণীত তেহেন্তে বিহাইব।
এহি চাৰি জন মাত্ৰ প্ৰান ভাৰ্য্যা হুইব॥
শুনাই মাধৱে কৰযোড়ে বিনাৱন্তি।
তোমাসাৰ পত্নী কেনে পুত্ৰে বিহাপন্ত॥
শুনি পুৰ্ণ ব্ৰহ্ম হৰি সত্য নিত্যানন্দ।
অংশ সকলক তুমি আনিলা আনন্দ॥
শুনিয়া শঙ্কৰ পাছে বুলিলা বচন।
ছেদিয়ো সংশয় আবে স্থিৰ কৰা মন॥
ৰামচন্দ্ৰ. ভৰত লক্ষ্মণ শত্ৰুঘন।
চাৰি অংশে দ্বাপৰত ভৈলো উতপন॥
বলোভদ্ৰ সাম কামে গদ চাৰি জন।
সাত্যকী অনিৰুদ্ধ মোৰ অংশ যতজন॥
কৃষ্ণ অৱতাৰে মই সবাকে আনিলো।
সবাহাকে নিয়া নিজ থানে থাপি থৈলো॥
ইটো অৱতাৰে মই আনি আছো যত।
সবে লিন যাইবে সবে মোৰ শৰীৰত॥
ৰাম আদি কৰি যত অৱতাৰ মোৰ।
সবাতো কৰিয়া শ্ৰেষ্ঠ কৃষ্ণ অৱতাৰ॥
তাতো কৰি আবে পুৰ্ণ জানা স্বৰূপত।
নিজ যশ প্ৰচাৰিয়া জিনিলো জগত॥
কৃষ্ণ অৱতাৰে অস্ত্ৰ ধৰিয়া জিনিলো।
তাতেসে কৃষ্ণক মই অংশ বুলি কৈলো॥
পুৰ্ণ শক্তিয়ে অস্ত্ৰ ধৰিতে নালাগে।
পাষণ্ড সকলে শব্দ শুনিলতে ভাগে॥

তোমাত কহিলো ইটো পৰম ৰহস্য।
জগতে ভক্তি ভাবে মোক কৰি আছে বশ্য।
[illegible] ঋষি ৰাজ ঋষি যতেক আছয়।
কৃষ্ণ অৱতাৰে মাত্ৰ মহিমা জানয়॥
ই[illegible]লি যিমতে মই অৱতাৰ ভৈলো।
পৰম অমূল্য বস্তু ভণ্ড ৰ[illegible]লিলো॥
তাক পান কৰি ন ৰ ৈ কুণ্ঠক যায়।
মো হাৰ পাশত অপ্ৰ[illegible]াস ঠান পায়॥
[illegible] ৰ ৰঙ্গ ভৈলা মন।
[illegible] চন॥
[illegible] হৈব জৈত আসি।
[illegible]॥
[illegible] হৈ।
মহা মন ৰঙ্গে দামোদৰ [illegible] পাব।
দ্ৰৌপদীৰ অংশ আৰু বাসুকী ভৈলন্ত।
ৰানকান্ত তাঙ্ক পাছে ৰঙ্গ [illegible]।
চিং দা[illegible]অংশ দে ভানী আসংগু।
সুভদ্ৰাৰ অংশ আস জানকী [illegible] স্ত॥
অন[illegible]ৰা ৰ এহি দুই পত্নী হৈব।
আৰ চাৰি পুত্ৰ মাত্ৰ তাসম্বা [illegible] হৈব॥
তাৰা স[illegible]া যদু বংশী জানিবা নিশ্চয়।
[illegible]হি সা[illegible] জন অনন্তৰায়ৰ তনয়॥
উত্তৰাৰ অংশ ৰাম ৰাইৰ ভাৰ্যা হৈব।
মহাব[illegible] তাঙ্ক ৰামৰায়ে যে বিহাইব॥

হে কৃষ্ণ ইষ্ট বন্ধু লক্ষ্মীৰ নায়ক।
বিধি বিধায়ক নমো মুকুতি দায়ক ॥
কোন জগন্নাথ আৰে কাহয়ো কাৰণ।
শুনিয়া শঙ্কৰে পাছে বুলিলা বচন ॥
যিটো ব্ৰহ্ম বিৰাট স্বৰূপ আছিলন্ত।
ব্ৰাহ্মণ ক্ষত্ৰিয় চাৰি জাতি প্ৰজিলন্ত ॥
সেহি যে স্বৰূপ ইন্দ্ৰদ্যুম্নে প্ৰাৰ্থিলন্ত।
নৃপতিৰ পুৰিমন দাৰু ব্ৰহ্ম ভৈল ॥
আপোনাক অংশ হেন মনে মানিলন্ত।
পুনু জগন্নাথে হেন মোক বুলিলন্ত ॥
ব্যাস আসি জগদীশ মিশ্ৰ যে ভৈলন্ত।
আমাৰ আগত ভাগৱত কহিলন্ত ॥
হেন শুনি পুনৰপি বুলিলা বচন।
লোক মুখে বেকত কৰাইল কিকাৰণ ॥
আপুনি নিৰ্ম্মিলা তুমি যত শাস্ত্ৰ চয়।
কি কাৰণে লোক মুখে শুনিতে লাগয় ॥
মোক ব্ৰহ্ম বুলি মানিবেক সৰ্ব্বজনে।
লোক মুখে বেকত কৰাইলো সি কাৰণে।
ভুজঙ্গ শয্যাত যিটো কৰিয়া শয়ণ।
সমস্তকে লৈয়া থাকা নাথ নাৰায়ণ ॥
মোক কহিয়োক আৰে প্ৰভু ভগৱন্ত।
কোন ভক্ত কোন ৰূপ অছিত আচন্ত ॥
কৃষ্ণ অৱতাৰে ৰুক্মিণীৰ বিবাহত।
ব্ৰহ্মা আসি পুৰোহিত ভৈলন্ত তাহাত ॥

এত আসি ৰাম ৰামগুৰু ক্তে ভৈলা।
পুৰ্বাৰিৎ কৰ্ম্ম যৎ তেহন্তে কাৰলা॥
ৰুদ্ৰাণ সবে কৰ্গ ঋষিয়ে ভৈলন্ত।
আমাৰ ৰ জাত কৰ্ম্ম তেন্তে কৰিলন্ত॥
মহেন্দ্ৰ কন্দাল নাৰদে সে আসি ভৈলা
আমাক আসিয়া শাস্ত্ৰ তেহন্তে পঢ়াইলা॥
প্ৰহ্লাদে আসিয় নাৰায়ণ দাস ভৈলা।
যমে আসি গোকুলৰ চান্দ হুয়া ৰৈলা॥
মনুয়ে আসিয়া বুঢ়া দৈবজ্ঞ যে ভৈলা।
কপিলে আসিয়া এত উৰনা যে ভৈলা॥
কুমাৰে আসিয়া এত হৰি দাস ভৈলা।
শুকে আসি মথুৰাদাস হুযা ৰৈলা॥
ভীষ্মে আসি ৰাম দাস বলি হৰি ৰাম।
জানকে বুলিয়া যাক নাহিকে উপাম॥
সৰ্ব্বজয় নাম আসি পাণ্ডুৰে ভৈলন্ত।
ধৃতৰাষ্ট্ৰে জয়ন্তাৰন বৰ হৈলন্ত॥
মৰিচিৰ ছয় যিটো তনয় আছিলা।
তাসম্বাৰ ব্ৰহ্মা শাপ দিয়া যে খেদাইলা॥
হিৰণ্যাক্ষ বীৰ্য্যে আসি সবে জান্মবন্ত।
দৈবকীৰ গৰ্ভে যোগ মায়াসে থৈলন্ত॥
হৰি কংশ ৰায়ে পাছে ছয়কো মাৰিলা।
বাৰ সুভদ্ৰা, গৈয়া কেসন্তে আছিলা॥
তুমি আমি দুয়ো গুৰু গৃহত পঢ়িলো।
বিপ্ৰক আনিয়া মৰা পুত্ৰ দান দিলো॥

সেহি কথা শুনি পাছে দৈবকী বুলিলা ।
আমাৰ আগত মৰা পুত্ৰক প্ৰাৰ্থিলা ॥
বলিব সভাত পাছে দুয়ো চলি গৈলো
দৈৱকীৰ আগে আনি তাসম্বাক দিলো ॥
কোলে লৈয়া মাতৃ যেবে স্তন পিয়াইলন্ত ।
তোমাক আমাক সেবি স্বৰ্গক গৈলন্ত ॥
মোৰ পীত অৱশেষে স্তনক যে খাইলা ।
সেহিসে কাৰণে জানা ইথাৰুক আইলা ॥
হীন কুলে হুয়ো আমি জন্মক ধৰিলো ।
অসম ৰাজ্যত নৰহৰি ভক্ত ভেলো ॥
হৰমেশ্বৰ নৃপতিৰ জানা আৰু জন ।
তুমি ভক্ত কৰি নাম দিলা হৰি চৰণ ॥
পৰমানন্দ নাম মিৰ বুলত যে ভৈলা ।
জয়ৰাম নামে ভোট কুলত জন্মিলা ॥
চান্দ সাই নামে এক যবন ভৈলন্ত ।
আৰু জন আসি গাৰো গোবিন্দ ভৈলন্ত ॥
ভট্ট দেৱ কদৰ্য্য ব্ৰাহ্মণ আসি ভৈল ।
পূৰ্ব্বৰ সাধনে আসি জ্ঞান লাগ লৈল ॥
মত্তৰ্শ্বৰ নামে ৰাজা পুৰ্ব্বে আছিলন্ত ।
বিপ্ৰ সকলক আনি হোম কৰাইলন্ত ॥
পুজাৰ বস্তুত পাৱ নৃপতি লগাইলা ।
তাতে আসি কদৰ্য্য ব্ৰাহ্মণ আসি ভৈলা ।
সেহি ফলে আমি পাছে শাস্ত্ৰক লভিলা ।
জগদীশ মিশ্ৰে গৈয়া তাহাতে পঢ়িলা ॥

সুদামে যে বলোৰাম হৰি হৰ দাস।
শ্ৰীদামে আসি জানা ভৈল জটিৰাম ॥
বিপ্ৰ দামোদৰে দামোদৰ আসি ভৈলা।
কুবলয়ে সাঁড় জানা আত আসি হৈলা ॥
বিৰভদ্ৰ বিশ্ব সিংহ জানিবা নিশ্চয়।
লোমাঙ্কে বিদুৰ আত নাহিকে সংশয় ॥
ভীমকে জানিবা তুমি নৰনাৰায়ণ।
বৃষ কেতু চিলাৰাই ভকত গহণ ॥
মৈত্ৰে বংশে জানা ইটো কণ্ঠ যে ভুষণ।
ৰুক্ময়ে হৰিসাইতো কহিলো বচন ॥
উদ্ধৱৰ অংশে আসি ব্যাস কলাই।
ব্যাস কলাইত জানা কিছু দোষ নাই ॥
প্ৰাঞ্চ বিষৰ পৰা ভক্তি যোত কৈলা।
তথাপিতো দেৱী পূজা উদ্ধৱে নেৰিলা ॥
পূৰ্ব্বত তাহান কিছু বাসনা আছিলা।
নাবদি গঙ্গাক পাই সমস্ত গুছিলা ॥
সেহি বাসনাৰে আসি আত লাগলৈলা।
কিঞ্চিতেক মানে তান অকৰ্ম্মযে ভৈলা ॥
হেন অকৰ্ম্মক জানা আনে নকৰয়।
এহিসে কাৰণে তাঙ্ক এৰিলো নিশ্চয় ॥
পুনৰপি বদৰিকাশ্ৰমক যাইবন্ত।
ভক্তি কৰি মোৰ গৈয়া থানক পাইবন্ত ॥
পুণৰ্ব্বাৰ মাধৱেয়ো পুছিলা তুলাই।
তুমি ৰাম আইত কেনে ভৈলন্ত ইঠাই ॥

কি কাৰণে তান আজ্ঞ কুষ্ঠৰোগ হৈভলা ।
কি কাৰণে শ শৰীৰে বৈকুণ্ঠক গৈলা ॥
শুনিয়ো শঙ্কৰে পাছে বচন বুলিলা ।
কৃষ্ণ অৱতাৰে সেবি স্বৰ্গ মাত্ৰ পাইলা ॥
বিপ্ৰ শাপে যিটো মহা মুষলক ভৈলা ।
কমাৰে ঘসিয়া তাক চুৰ্ণকৃত কৈলা ॥
অ.শেষ লোহা নিয়া সাগৰে ডুবাইলা
কিবা বস্তু বুলি তাক ৰাঘনৎস্য খাইলা ॥
কৈবৰ্ত্ত সকলে পাছে তাক জালে পাইলা ।
শৰৰ আগত পাছে ব্যাধে লোহা থৈলা ॥
মৃগ বুলি কৰ পাছে দেখি মোৰ ভৰি ।
হানিলাহা মোহোক পাছে শৰ লক্ষ কৰি ।
মোহাৰ পাৱত মাৰিলেক সেহি বান ।
শৰ ঘাৱে ভৈলো মই মৃতক সমান ॥
শৰ বিষে যেন মোৰ শৰীৰ ছুটয় ।
হেন ৰূপে ব্যাধে মোক দেখিলে নিশ্চয় ॥
সেহিসে কাৰণে তান কুষ্ঠৰোগ হৈভলা ।
ভক্তি কৰি সশৰীৰে বৈকুণ্ঠক গৈলা ॥
বেদনিধি আসি বিষ্ণুদাস নাম ভৈলা ।
উপানন্দে সক শ্ৰীৰাম আসি ভৈলা ॥
বসুদেৱ পত্নী তাক যিটো ছয় জন ।
তাৰা সবো আসি আত হৈভলা উতপন ॥
আই পূৰ্ণানন্দ আক কমল লোচনী ।
ভগৱতী নামে জানা কমল নয়নী ॥

বনগয়া মাতৃ আউব জন আসি ভৈল ।
তোমাব মাতৃ ঐত বোহিনীয়ে হৈল ॥
ইন্দ্ৰ অংশে বৰকলা গোবিন্দ আসিলা ।
তান বীৰ্য্যে পাছে তুমি ভূমিত জন্মিলা ॥
বসুদেবে দৈৱকী দুই জন যে নাহিলা ।
কৃষ্ণ অৱতাৰে দুইজনে মোক্ষ পাইলা ॥
দৈৱকীৰ গৰ্ভে মই জন্মিলো ঐজসানী ।
[illegible] দুই প্ৰাণী বুলি স্তুতি বাণী ॥
[illegible] দুইকো পাছে বুলিলো বুজাই ।
ইজন্মে অংশে মোক্ষ পাইবা তোৰা যাই ॥
[illegible] নাম পাছে ভৈলা ।
[illegible] আসি ভাস্কৰ [illegible] হৈল ॥
ঐত কন্দলি নবা পৰমানন্দ নাম ।
[illegible] ভৈলন্ত আসি আলধৰা নাম ॥
সব্যা যাক বোলে তেহে ভৈলা হৰিদাস ।
বুড়া খাঁ নামে ভৈলা পুষ্প যে বিৰাস ॥
মূল ৰথখান বৰদোৱাক জানিবা ।
ধৰ্ম্মকে সাক্ষাতে ধ্বজ বুলিয়া মানিবা ॥
বাঘ ঋষি গাছ বৰদোৱাত গাজিলা ।
পথ হুয়া ঈশ্বৰৰ সেৱাতে লাগিলা ॥
সলখা কেতাই গঙ্গুৰা জন্মিলন্ত ।
মুৰলিৰে চোম পোৰা বৃক্ষ যে ভৈলন্ত ॥
পাছৰ কথাক কহো তাহাক শুনিবা ।
ৰকুয়া নামক ধৰি দাকক আসিবা ॥

অগ্নি লগ্ুা দেব চান্দ্র ভৈল চণ্ডিবৰ ।
বৰুণে জয়ন্তে বাই কৈলো বাজধৰ ॥
মাধৱে অশ্বিণী কুমাৰ সূৰ্য্যে সূৰ্য্যবৰ ।
হলযুক্ত ভৈল আসি জানিবা কুবেৰ ॥
অনেক ভকাত ভাৱে মাধৱে পুছয় ।
চাৰিটি শৰণ কোন কহিয়ো নিশ্চয় ॥
শুনিয়া শঙ্কৰে পাছে কহিবে লাগিলা ।
অংশে আসি ভাণ্ডিৰক বট বৃক্ষ ভৈলা ॥
বস্ত্ৰ লৈয়া কৃষ্ণে যিটো কদম্বে চড়িলা ।
যমুনাৰ তীৰে চক্ৰে সেহি বৃক্ষ ভৈলা ॥
কোন বদম্বে গদা জানিবা তহিত ।
পদ্ম আসি তাল বৃক্ষ ভৈলন্ত সাক্ষাত ॥
চাৰিটি শৰণ আসি ভৈলা এহি থান ।
ইহাক কহিলো মই শুনা বিদ্যমান ॥
মহা গুহ্যোত্তম আৰু পৰম গোপনি ।
কহিবো ৰহস্য কথা থাকা তুমি শুনি ।
শঙ্খ চক্ৰ গদা পদ্ম অস্ত্ৰ চাৰি থান ।
চাৰিটি শৰণ আৰে ভৈল এহি নাম ॥
গুৰুৰ দুই ভুজ দেখি শৰণ কাৰবা ।
কেন মতে দুই ভুজ দেহক ভজিবা ।
ভকতৰ যে দুই ভুজ হৃদয়ে দেখিবা ।
পূৰ্ণ কৃষ্ণ নাম আনি মনত অৰ্পিবা ॥
শঙ্খে গুৰু চক্ৰ দেব জানিবা নিশ্চয় ।
গদা নাম পদ্ম ভকত না [illegible] ॥

[illegible]

ভক্তি [illegible] ।
তোমার যে [illegible] চিত্ত নহে তব [illegible] ।
যত শক্তি [illegible] দিলা ॥
[illegible] আছে বহু [illegible] ।
কহিলো [illegible] ॥
পাপের বাসনা কোটি জন্মের আছয় ।
সি সি জনে এতেক কথা শুনিতে পারয় ॥
পাপ করিবার আর আবশ থাকিল ।
ধরম পত [illegible] ॥
তোমার [illegible] তার মাংসক ছুঁইল ।
পাপের বাসনা [illegible] ॥
[illegible] কথা শুনি কর্ণ পাতি [illegible]
পাপক ভঞ্জিলে [illegible] ॥
[illegible] ।
পাপের [illegible] ॥
[illegible] ।
[illegible]
[illegible] বহু [illegible] ।
[illegible]

অনন্তৰ পূৰ্ণ শক্তি আমাত আছয় ।
তাৰ অংশ আহি তুমি জন্মিলা নিশ্চয় ॥
যি কাৰণে তুমি দেৱী পূজাক কাৰিলা ।
লাগ পাই মোত পাছে শৰণ কৰিলা ॥
কৰ্ম্ম মল বাসনা সমস্ত ক্ষয় গৈলা ।
ভক্তি বাসনায়ে অগনি আৰে লাগ লৈল ॥
তোমাৰ যে দেহ চিত্ত সবে শুদ্ধ কৈলো ।
যত শক্তি মোৰ আছি সমস্তকে দিলো ॥
গুহ্য গুহ্যতম গাক মহা গুহ্যত্তৰ ।
কহিলো নিৰ্ণয় আবে সমস্ত শাস্ত্ৰৰ ॥
পাপৰ বাসনা কোটি জন্মৰ আছয় ।
সি সি জনে গ্ৰাম্য কথা শুনিতে পাৰয় ॥
পাপ কৰিবাৰ আৰ ভাৱণ থাকিল ।
মৎস্য পশু হুয়া নানা জন্মক ধৰিল ॥
কোনবা বৈষ্ণৱে তাৰ মাংসক ভুঞ্জিল ।
পাপৰ বাসনা তাৰ সমস্তে গুছিল ॥
সি যি কৃষ্ণ কথা শুনি কৰ্ণ পাতি ধৰে ।
পাপক শুনিলে যিটো উশমিশ কাৰে ॥
বৈষ্ণৱ জনৰ তাক কৃপা পাছে ভৈল ।
পাপৰ বাসনা পাছে সবে দূৰ গৈল ॥
মাধৱে পুছিলা পাছে কৰ জোড় কৰি ।
কৃষ্ণ অৱতাৰ কথা কহিয়োক হৰি ॥
অমূল্য ৰতন ইটো মহা গুহ্য সাৰ ।
[illegible] আক কৰিলা প্ৰচাৰ ॥

দুলড়ি।

শুনিয়া শঙ্কৰে পাছে, বুলিলন্ত ৰঙ্গ মনে
শুনিয়োক মাধৱ বচন।
দশম স্কন্ধত আৰে, কহিবোহো কথা কিছু,
তুমি আৰে থিৰ কৰা মন ॥
বৈকুণ্ঠৰ ছত্ৰ অনন্তৰ ফনা,
ওপৰে আছিলা মোৰ।
সেহি আসি ঐত, শকট ভৈলন্ত,
জানিবা মহা দুৰ্ঘোৰ ॥
তাৰ তলে মোক, শুৱাই থৈলন্ত,
জানিবা যশোদা আই।
পূৰ্ব্বৰ সাধন, কহিবো তাহাৰ,
যি ভৈল শকট যাই ॥
এলিৰ দ্বাৰত, গদাধৰি মই,
আছো আতি ৰঙ্গমনে।
কোটেক গন্ধৰ্ব্ব, বিদ্যাধৰী সমে,
গৈলা পাছে সেহি থানে ॥
গৰ্ব্ব মদে যাই, মোহোৰ পাৰত,
লগাইলে চ সিটো ভৰি।
অসুৰ বলিয়া, শাপিলো তাহাক,
আতি মহা ক্ৰোধ কৰি ॥

পাছে সিটো মোক, বিস্তৰ কাকুতি,
কৰিলে স্তুতি বিনই।
তাৰ তাৱ দেখি, মই তুষ্ট হৈলোঁ,
ভৈল তাৰ ভাগ্যোদয়॥
কৃষ্ণ অৱতাৰে, যশোদাৰ ঘৰে,
যেখানি জন্মিবো মই।
তোৰ নাম জান, শকটা অসুৰ,
হৈবেক তহিতে যাই॥
শকতৰ তলে, থৈবে মোক পাছে,
মভয়ে বেৰে গুৱাই।
তই আসি পাছ, বসিবি শকটে
কহিবো তাৰ উপায়॥
শকতে সহিতে তোক পাছে মই
পেলাবো চাপি চৰণে।
পাৱে বন্দি মোক, শাপ এৰাই তই,
চলি যাইবি নিজ থানে॥
প্ৰাপ্তি আসি তাতে, ভৈলন্ত কৈকেই,
ৰামে তাক শাপিলন্ত।
সেহি পাপ ফলে, জানিবা তহিত,
ৰাক্ষসী পাছে ভৈলন্ত॥
যিটো প্ৰকৃতিক, প্ৰশ্নিলোহো আমি,
তাহাৰ কহো কাৰণ।
প্ৰকৃতি কৈকেই, হয়ো পাছে আসি,
পুতনা ভৈলা তেখন॥

ভেলা তাকে মন্ত্র, যি ভাগে প্রকৃতি,
গণ্ডুষ কৃষ্ণে করিলা।
অ[illegible] গ কৈকেৰ্যী, ভৈল পাছে তাৰ,
জননীৰ গতি দিলো॥
ধবলী পিঙ্গলী, কাজলী পাৰলী.
চাৰি বেদে আসি ভৈল।
ৰাস নামে থালি, জানিবা নিশ্চয়,
শুদ্ধধৰ্ম্ম দুগ্ধ ভেলা॥
[illegible] বৃক্ষ আমোথে আসিয়া.
ম [illegible] ন হাঁণ্ডু ভৈলন্ত।
ধৈৰ্য্য [illegible] যত গুণ নাম
[illegible] ভৈলন্ত॥
সেহি ৰা [illegible] যায় পুত্ৰক জানিবা,
[illegible] তাক নিশ্চয়।
[illegible] পৰ বাসনা, জানিবা কলস,
[illegible] কৃষ্ণে ভাঙ্গিলয়॥
ক[illegible] দ্বাৰ, ডালিয়ে জানিবা,
[illegible] ল আসি ভৈলা।
[illegible] বানৰ সকলে,
লয়ণ [illegible] সঙ্গে খাইলা॥
সত্ব ৰজ [illegible], তিনি গুণে আসি,
তেহেন্তে শিকিয়া ভৈলা।
[illegible] পাশে, বলিক বান্ধিলো,
সেহি প্ৰেম ভক্তি ভৈলা॥

যশোদাৰ গৃহে, সেহি বহু আসি,
বৃন্দাৱলি আসি ভৈলা।
আপোনাৰ প্ৰেম, ভকি বহু আনি,
তাতেসে বন্ধন লৈলা॥
পৰম প্ৰকৃতি, কৃষ্ণৰ জানিবা,
বংশী যে ভৈলা প্ৰধান॥
সাত গুটি ৰন্ধ্ৰে, সাত যে প্ৰকৃতি,
ভৈলা গৈয়া সেহি থান॥
সালোক্য সাজুজ্য, আৰু সে সাষ্টিক,
মুকুতি যাক বোলয়।
শিঙ্গা বেণু বেত, কৃষ্ণৰ ভৈলন্ত,
হাতত আসি নিশ্চয়।
আৰু দুই বিধ, বত্ৰযে কুণ্ডল,
মুক্তিয়ে আসিয়া ভৈলা।
পঙ্কজ বৈকুণ্ঠ, অংশে আসি জানা,
বৃন্দাবন থান ভৈলা॥
তাতে কৃষ্ণ আসি, অৱতাৰ ভৈলা,
সেহি বৃন্দাবনে যাই।
সাতো বৈকুণ্ঠৰ, চৈধ্য ভুবনৰ,
আসি ভৈলা সেহি থাই॥
আমাৰ বিভুতি, ব্ৰহ্মা ইন্দ্ৰ চন্দ্ৰ,
আনো যত দেৱগণ।
গোকুলত আসি, সবেও জন্মিলা,
হুয়া গোপ গকগণ॥

অনোন্নত তৰু; তৃণ নিৰন্তৰে,
বৃন্দাবনে জন্মিলন্ত ।
দেৱতা সবই, কিনো মহাভাগ্য,
ব্ৰজত জন্ম লভিলা ॥
অনেক বিনয়, কৰিয়া তুনাই,
মাধৱে পুছিলা তথা ।
কেন মতে কৃষ্ণ, বনে যে ভৈলন্ত,
কহিয়োক তাক কথা ॥
শুনিয়া শঙ্কৰে, বুলিলন্ত, আৰে,
শুনিয়ো তাৰ উত্তৰ ।
বৃন্দা নামে এক, দুৰ্জ্জয় ৰাক্ষসী,
আছিলন্ত সেহি থান ॥
বৃন্দাবন হেন, নামৰ অন্বয়,
সেহিসে কাৰণে ভৈলা ।
পুৰাণ পুৰুষে, নিত্যানন্দ সুখে,
কৃষ্ণ বৃন্দাবনে নিলা ॥
অঙ্গ পৰিবৰ্ত্ত, দেখিয়া কৃষ্ণৰ,
যশোদা আনন্দ ভৈলা ।
আঠু কাঢ়ে কৃষ্ণে, যশোদাৰ আগে,
গোৱালী সবে দেখিলা ॥
আনন্দিত মনে, গোপ গোপী গণে,
কৃষ্ণৰ নামক পাইলা ।
অঙ্গ পৰিবৰ্ত্ত, মহা মহোৎসৱ,
গোপী সবে ৰঙ্গ কৈলা ॥

বৃকাসুৰ সুত, যিতো অৰবিন্দ,
তাহাৰ কহো কাৰণ।
শিৱক আৰাধি, পাছে বৰ পাইলা,
ভৈলন্ত হৰ প্ৰসন্ন॥
কৰযোড় কৰি, অৰবিন্দে বোলে,
শুনিয়োক মহেশ্বৰ।
যেন মতে তনু, সঙ্গ পাও আমি,
দিয়ো মোক হেন বৰ॥
শুনি পাছে তাক, হৰে বুলিলন্ত,
শুনা বৃকাসুৰ শুই।
কৃষ্ণৰ হন্তৰ, পদ্ম তাল বৃক্ষ,
বৃন্দাবনে হুইব যাই।
তাতে ফল ধৰে, তই বধ হইবি,
ধেনুকে ৰাখিবে তোক।
ক্ষুধাতুৰ হয়া, পাছে গোপগণে,
কৃষ্ণক বুলিবে বাক॥
কৃষ্ণে পাছে তাক, গোপৰ শিশুক,
সেহি ফল পাৰি দিব।
গোপৰ চয়ালে, সবে খাইবে তাক,
দুই ভাই সুভুঞ্জিলা॥
সেহি পুণ্য ফলে, অৰবিন্দ তই,
কৈলাশ আসিয়া পাইবি।
মোৰ বৰে তই, কহিলো স্বৰূপে,
ভাল ফল তাতে হইবি॥

এহি বুলি হৰ, বৃষভত চড়ি,
তৈতে অন্তর্দ্ধান ভৈলা।
সেহিসে শ্ৰৱণে, জানিবা মাধৱ,
তাল ফল সুভুঞ্জিলা॥
ৰচিলা মাধৱে, গুৰু নিৰন্তৰে,
অমুল্য ৰতন সাৰ।
শঙ্কৰ মাধৱে, মহা গুৰুভাৱে,
ৰচিলা ইতো পয়াৰ॥

পদ।

আৰু এক কথা কহো শুনিয়ো মাধৱ।
পৰম আনন্দে শুন' কৰিয়া উৎসৱ॥
বৈষ্ণৱৰ তেজ মোক যি হেতু বোলয়।
বিষ্ণুকে বৈষ্ণৱ বুলি জানিবা নিশ্চয়॥
পৰম ঈশ্বৰ ব্ৰহ্ম যি হেতু বোলয়।
পৰম বৈষ্ণৱ তেজ তাহাত থাকয়॥
বিষ্ণুত অধিক জানা ভক্ত অতিশয়।
পৰম বৈষ্ণৱ তেজ তাতেসে বোলয়॥
যাহাত হোৱয় পূর্ণ ব্ৰহ্মৰ শকতি।
পৰম বৈষ্ণৱ তাকে বুলিলা সম্প্ৰতি॥

বাহিৰত বসুদেৱ মনত আছিলা ।
শিব ভাগ দৈৱকীৰ গৰ্ভত পশিলা ॥
জন্মিবাৰ দৈৱকী তাহাক নেদেখিলা ।
বসুদেৱে তাঙ্ক পাছে আগতে দেখিলা ॥
পৰম বৈষ্ণৱ তেজ যাহাত থাকয় ।
নিজ ভক্ত পদ জানা যাহাত আছয় ॥
বৈকুণ্ঠ নগৰে যিটো দ্বাৰ সাত পান ।
গোপী সকলৰ জানা দৈগলগ বসন ।
ভগৱন্ত দেৱে যেবে বাহিৰক যান্ত ।
সেহি দ্বাৰ ঈশ্বৰৰ গাৱত লাগয় ॥
গোপী সকলৰ জানা সেহি বস্ত্ৰ ভৈলা ।
তাতে আসি নাৰায়ণে বস্ত্ৰ কাঢ়ি লৈলা ॥
আপোনাৰ দ্বাৰ জানি বস্ত্ৰক যে লৈলা
আত কিঞ্চিতেক মাত্ৰ শঙ্কা যে নভৈলা ॥
মধুধ্বজ নামে এক ব্ৰাহ্মণ আছিলা ।
বাৰয় হাজাৰ যুগ বিষ্ণুক পুজিলা ॥
তথাপিতো হৰিতাঙ্ক সন্তোষ নোহিল ।
হেন দেখি মধুধ্বজে বাক্য বুলিলন্ত ॥
কি হেতু প্ৰসন্ন মোত নোহা জগন্নাথ ।
হেন শুনি হৰি পাছে বেকত ভৈলন্ত ॥
কিঞ্চিতেক কোপে মধুধ্বজে চাহিলন্ত ।
কিছু নুবুলিয়া মধুধ্বজে আছিলন্ত ॥
তাহাৰ ভিতিক পাছে কৃষ্ণ চাহিলন্ত ।
হেন শুনি হৰি তাঙ্ক বাক্য বুলিলন্ত ॥

সৰ্পবেসে হেন যেবে ক্ৰোধৰ আক্ৰাণ্তি ।
শুনি বুলিলন্ত মধুধ্বজ মহামতি ।
অমা দোষে অসি মোক শাপিলা কিসক ।
সৰ্প হুয়া দংশিবোহো তোমাক প্ৰত্যেক ॥
শুনি হৰি হাসি তাক দিলা সমিধান ।
যি কাৰ্য্যে শাপিলো তোক শুনিবো কাৰণ ॥
ভুখাশিতো পৰম প্ৰসাদ দিবো মই ।
মোৰ পক্ষ চিহ্নক ধৰিবি শিৰে তই ॥
কাশ্যপৰ বীৰ্য্যে জন্ম ধৰিবিহি যাই ।
গৰুড়েৰ কন্দল কৰিবি সেহি ঠাই ॥
সৌভৰিৰ মৎস্য ধৰি গৰুড়েষো খাইব ।
তান শাপে পাছে সিতো হ্ৰদক নজাইব ॥
গৰুডক ভয় তই সেহি হ্ৰদে যাইবি ।
চিৰকাল পাছে সেহি হ্ৰদত থাকিবি ॥
বৃন্দাবণে গৰু ছাড়ি ফুৰিবো আপুনি ।
গৰু গোপ নজানিয়া পিবে বিষ পাণি ॥
দোৰ্য্যোৰ বিষৰ জালে মৰিবে তেখনে ।
জিয়াবোহো চাহি পাছে অমৃত নয়ণে ॥
মহাদেৱ কদম্ব হুইবাহা সেহি ঠাই ।
বস্ত্ৰ কাঢ়ি তাতে মই চড়িবেহো যাই ॥
শুনিয়া মাধৱে পাছে বুলিলা বচন ।
মহাদেৱ বৃক্ষ তথা ভৈল কি কাৰণ ॥
যি কালত বামণে কটাহ ফুটাইলন্ত ।
মহাদেৱে মাথা পাতি জটাত লৈলন্ত ॥

বামণক্ ক ন্ধে লৈবে প্ৰাৰ্থিলন্ত হব ।
হেন শুনি হাঁসি হবি দিলন্ত উত্তৰ ॥
বৃন্দাবনে কৃষ্ণ ৰূপে জন্মিবোহোঁ মই ।
ৰুদ্ৰে গৈয়া কদম্ব হুইবাহা কেলি ঠাই ॥
কালিক দমিবে মই চড়িবোহো তাত ।
পৰম প্ৰসাদ মোৰ পাইবা সিবেলাত ॥
এহি কালে কদম্ব যে হুইবা হৰে পাছে ।
কালিক দমিবে মই চড়িবোহো গাছে ॥
মহাদেৱৰ বৰ আবে এহিমানে গৈলা ।
কালিৰ বৃত্তান্ত যত কহিবাক লৈলা ॥
কৃষ্ণ হস্তে জাম্প দিয়া হ্ৰদত পৰিবো ।
মহাক্ৰোধ কৰি পাছে জল আওদালিবো ॥
খোট মাৰি মৰ্ম্ম স্থানে দংশিবিহি তই ।
বিষ লাগ হ্ৰদে পাৰ থাকিবোঁহো মই ॥
মোৰ দুই পাৰে মেড়াই ধৰিবি তেখনে ।
লাম্ফ দিয়া মাথে তোৰ চড়িবো চৰণে ॥
ধ্বজ বজ্ৰ পঙ্কজ জৰত অঙ্কুশৰ ।
সাঙ্ক বান্ধি থাকহেক শিৰত তোহোৰ ॥
শুনিয়া মাধবে পাছে বুলিলা বচন ।
পঞ্চ চিহ্ন কেন মতে সেহয় চৰণ ॥
চৰণৰ অগ্ৰভাগে শুক্ল ধ্বজ চয় ।
শ্যাম বৰ্ণ বজ্ৰ তাৰ কাষতে আচয় ॥
হৰিদ্ৰাৰ বৰ্ণ সম পঙ্কজ মধ্যত ।
ৰক্ত বৰ্ণ অঙ্কুশ যে চৰণ পাছত ॥

তোৰ কাষে কাল বৰ্ণ জৰ প্ৰকাশয় ।
এহি পাঞ্চ চিহ্ন মোক সদা উপাসয় ॥
এহি পাঞ্চ চিহ্ন তাৰ শিৰত ৰহিল ।
ৰমন দ্বীপক পাছ সিটো চলি গৈল ॥
যাতো পুৰ্ব্বা নামে মোৰ ৰাধা আসি ভৈলা ।
শ্ৰীবৎশ কৌস্তুভ পাণৈ পিড়া হুয়া গৈলা ॥
সবাকে এৰিয়া মই তাঙ্ক লগে দিলো ।
হাষ্টিতে নগাৰে দেখি কান্ধ পাতি দিলো ॥
কাছি পাৰি মোৰ কান্ধ চড়িবাক যাই ।
দেখি অন্তৰ্দ্ধান পাছে ভৈলো সহি ঠাই ॥
তান চৰণত পৰি আছিলো লুকাই ।
পাছে গোপী সবে গৈয়া তাঙ্ক লাগ পাই ॥
মণ্ডলী আকাৰে পাছে মোৰ গাইলা গুণ ।
হেন দেখি মই ব্যক্ত ভৈলো তেতিক্ষণ ॥
আত অনন্তৰে কথা শুনিয়ো সম্প্ৰতি ।
শঙ্খ চুৰ যক্ষ ৰাজ হৈয়া ভৈল পতি ॥
চিত্ৰ ধৰ নামে এক গন্ধৰ্ব্ব আছিলা ।
অনন্তৰ চৰণত ভকতি কৰিলা ॥
তুষ্ট হুয়া অনন্তে শিৰোমণি দিলা ।
চিত্ৰ ধৰো সেহি মণি কণ্ঠত পিন্ধিলা ॥
এক দিনা অগস্তিৰ আশ্ৰমে গৈলন্ত ।
ধ্যান কৰি আছা মুনি তাঙ্ক দেখিলন্ত ॥
সেবা কৰিবাক তান পায়ত ধৰিলা ।
ধ্যান ভঙ্গ হুয়া ঋষি তাহাঙ্ক দেখিলা ॥

ৰাক্ষস বুলিয়া পাছে তাহাক শাপিলা ।
চৰণত পৰি মিটো প্ৰণতি কৰিলা ॥
তাক দয়া ভৱে পাছে বাক্য বুলিলন্ত ।
গকুলত কৃষ্ণ গৈয়া জৈসানি জন্মন্ত ॥
গোপৰ নাৰীক তই নিৰি চুৰি কৰি ।
খেদি ধৰি তোক পাছে মাৰিব মুৰাৰী ॥
তোহোৰ মাথাৰ মণি কৃষ্ণে কাঢ়ি লিব ।
যশোভদ্ৰে অনন্তক নিয়া পাছে দিব ॥
কায় বাক্য মনে পাছে থিৰ কৰিলন্ত ।
হৃদি পদ্ম মধ্যে নিজ ৰূপ থাপিলন্ত ॥
মস্তকৰ পৰা তান চৰণ পৰ্য্যন্ত ।
দেখ দেৱ পৰম ব্ৰহ্ম অচ্যুত অনন্ত ॥
নিত্য নিৰঞ্জন প্ৰভু দেৱ ভগৱন্ত ।
সনক সনন্দ নন্দে যাক উপাশন্ত ॥
সহস্ৰ বদন যাৰ অনন্ত নপাই ।
চতুৰ বদনে যাক সদায়ে ধিয়াই ॥
তুমি পৰম ব্ৰহ্ম কোটি ব্ৰহ্মাণ্ডৰ পতি ।
তোমাৰ চৰণে কৰো সহস্ৰ প্ৰণতি ॥
কোটি কোটি ব্ৰহ্মা হৰে যাক উপাশয় ।
চাৰি বেদে বিচাৰিয়া তত্ত্ব নপাৱয় ॥
তাৰা সবো নপাইলন্ত কিছু তত্ত্ব সীমা ।
মই কেনে জানিবোহো তোমাৰ মহিমা ॥
মহামূঢ় পণ্ডিতৰ আগে বক্তা হই ।
মহা নীচ স্বনে যেন সাধু বোলোৱাই ॥

[৪]

আমিয়ো জানিবা প্ৰভু সেহি সময়ৰ।
মোহোৰ জানিবা প্ৰভু সেহি পতন্তৰ ॥
নজানি কৰিলো বাদ পূৰ্ব্বে বহুত্তৰ।
অজ্ঞানে দোষক ক্ষমা কৰিয়ো ভৃত্যৰ ॥
নীল আকুঞ্চিত যাৰ কেশ ৰুচিকৰ।
প্ৰকাশে কিৰিটি কোটি সূৰ্য্য সমসৰ ॥
মদনৰ ধনু সম ভ্ৰূৰ প্ৰকাশয়।
ললাট মধ্যত ৰত্ন তিলক শোভয় ॥
কৰ্ণত মকৰ চাৰু কুণ্ডল ডোলয়।
অৰুণ নয়ণ নৱ পদ্ম প্ৰকাশয় ॥
অৰুণ লোচন যেন পঙ্কজৰ পাখি।
দশন মুকুতা যেন মুখে মন্দহাসি ॥
সিংহবন্ধ কন্ধ আতি মহা ৰুচিকৰ।
বক্ষস্থলে জলে আতি হাৰ মুকুতাৰ ॥
কণ্ঠত কৌস্তুভ জলে নৱ দিবাকৰে।
কোটি সূৰ্য্যসম মহাকান্তি শ্ৰীবৎসৰ ॥
চাৰি খান ভুজ জলে ললিত বলিত।
তাতে চাৰি অস্ত্ৰ জানা দেখিতে শোভিত ॥
কৰত শোভয় জিনি শিৰিয়া কঙ্কন।
আঙ্গুলিত ৰত্নৰ আঙ্গঠি বিতোপন ॥
পাট পীত ধুতি খান চৰণেলোটয়।
তাহাৰ উপৰে ৰত্ন মেখলা ৰঞ্জয় ॥
ৰত্নৰ কিঙ্কিনী তাতে শব্দ কৰয়।
ৰবি কৰ সম প্ৰকাশয় উৰুচয় ॥

প্ৰভাতৰ সূৰ্য্য সম চৰণ সুন্দৰ ।
যাক দেখি ভকতৰ সন্তোষ মিলয় ॥
নুপুৰ প্ৰকাশে সেই পদৰ পৃষ্ঠত ।
পঞ্চচিহ্ন প্ৰকাশয় চৰণ তলত ॥
হেনৰূপ চয় পাছে মাধৱে দেখিলা ।
তেতিক্ষণে দণ্ডৱতে চৰণে পৰিলা ॥
চাৰি বাহু মেলি পাছে ধৰিলা আশ্বাসি ।
পীতবস্ত্ৰে মুছি মুখ ত্যজিলন্ত হাসি ॥
চৰণত পৰি স্তুতি কৰিলো বিস্তৰ ।
কান্দি কান্দি পাৱে পৰি কৰিলো কাতৰ ॥
শঙ্কৰে বোলন্ত আৰু কহো শুনা তুমি ।
ৰামচন্দ্ৰ পণ্ড ৰাম চৰিত্ৰক আমি ॥
পণ্ড ৰামে মোৰ জ্ঞান পথ ছেদিলন্ত ।
ভক্ত সীতা যিকালত পাতালে গৈলন্ত ॥
সোহসে কাৰণে মোৰ জ্ঞান চুৰ্ণ ভৈলা ।
সীতাৰ নিমিত্তে দুখ পাইবাক নৰৈলা ॥
লক্ষ্মণৰ জ্ঞান পাছে আমাক নিলন্ত ।
মোৰ চয় পথ খুজি লক্ষ্মণে লৈলন্ত ॥
বলোভদ্ৰ ৰূপে তুমি তৈতে পাসিৰিলা ।
ব্ৰহ্মাকো মোহন্তে মোৰ মায়া নুবুজিলা ॥
অক্ৰুৰক শ্যমন্ত মনিক দিয়াইলো ।
চয়ৰূপে জানো মই তহিত ভাণ্ডিলো ॥
সেহি বলোভদ্ৰ তুমি জন্মিলাহা আসি ।
তাতে সে ৰহস্য জ্ঞান কহিলো প্ৰকাশি ॥

সেহিসে কাৰণে তুমি জ্ঞান পাসৰিলা।
অহিতো অমিয়া আগে বাদক কৰিলা॥
মোৰ প্ৰসাদত থাকি জ্ঞানে লাগ লৈলা।
বিজ্ঞান প্ৰদীপ পায়া সমস্তে গুছিলা॥
ভীমৰ শৰীৰে কৃষ্ণে তেজ অৰ্পি দিলা।
সেহি শক্তি লৈয়া জৰাসন্ধক বধিলা॥
মোৰ গুণ নাম শক্তি যতেক আছয়।
সেহি মতে শক্তি মোৰ দিলোহো নিশ্চয়॥
মাধৱে গুধিলা পুনু কৰি প্ৰণিপাত।
যিটো জ্ঞান তত্ত্ব প্ৰভু কহিলা আমাক॥
এহি কথা খানি বাপ লেখিবাক চাও।
কিঞ্চিতেক মানে যদি তযু আজ্ঞা পাও॥
কিবা নাম হৈবে আৰ কাৰণ কহিয়ো।
ইটো গ্ৰন্থৰ নাম বাপ আপুনিয়ে থৈয়ো॥
লেখিবা মাধৱ মই বুলিলো বচন।
ইটো গ্ৰন্থ যেন নযানয় আন জন॥
মহা গোপ্য কৰি তুমি ইহাক ৰাখিবা।
মহা হিতকাৰি যিটো তাকো নেদেখাইবা॥
আমাৰ পাশক তুমি যাহা যেতিক্ষণ।
পুৰুষোত্তমক দিয়া বুলিলো বচন॥
পৰম ৰহস্য জ্ঞান ভকতি কৰিলো।
তোমাৰ আগত নিজ ৰূপ দৰশাইলো॥
মহা গ্ৰন্থ ভাগৱত তত্ত্ব অৰ্থ যত।
তোমাৰ আগত সবে কহিলো সমস্ত॥

অমূল্য ৰতন নাম এতেকে ইহাৰ ।
বেদ বেদান্তৰ জানা ইহে তত্ত্ব সাৰ ॥
আজ্ঞা পায়া ক্ষেতিক্ষণে লেখিবাক লৈলা ।
সমস্তে যুগুতি যত পদ বন্ধে কৈলা ॥
প্রেম ভাৱে মাধৱৰ দ্রবিল হৃদয় ।
শৰীৰ সিহৰি লোহ নেত্রৰ জৰয় ॥
মহা দুখে পাছে দুই চৰণত ধৰি ।
কৰিলা কাৰুণ্য পাছে চৰণত পৰি ॥
চাৰি বিধ গোপীৰ যে কহিয়ো কাৰণ ।
কোনে কোন বিধ ভক্তি কৈলা নাৰায়ণ ॥
তাসম্বাৰ নাম গুণ কহিয়ো সম্প্রতি ।
কোনে কোন বিধ তত্ত্ব পাইলে কোনগতি ॥
হেন শুনি শুক পাছে দিলা সমিধান ।
যিবা গোপী সকলৰ যৈতে ভৈলা থান ॥
সন্তানক বিপ্র পত্নী সবে লৰিলন্ত ।
তুমি ক্রীড়া গোপী চিত্র বিলাসে গৈলন্ত ॥
কৃষ্ণে তন পান যিটো গোপীৰ কৰিলা ।
ত্রিপিনী বৈকুণ্ঠে স্থান তাসম্বাৰ ভৈলা ॥
উপনন্দ ভাৰ্য্যা যাক ৰেৱতী বোলয় ।
উধনাৰ ভাৰ্য্যা ঐত সুন্দৰী হোৱয় ॥
গোলোক গোপৰ ভাৰ্য্যা যাৰ নাম সতী ।
ইজন্মত আসি মোত কৰিব ভকতি ॥
মাধৈ পুৰিসা নাম তাহাক বুলিবা ।
অনন্ত পুৰিসা বাণা অহিহে ভৈলিলা ॥

আদ্য গোপী ভৈলা আসি সেহি দুইজন ।
ক্রীড়া গোপীৰ আবে কহিবো কাৰণ ॥
কুৰুক্ষেত্রে তাসম্বাৰ কাম দুৰ গৈলা ।
পৰম নৈষ্টীক ভক্তি তাসম্বাৰ ভৈলা ॥
মোহোৰ পাশত থান তাৰা সবে পাইল ।
ইথানক লাগি পুনু ইবাৰ নাহিল ॥
অৰুণী কৰুণী আৰু ৰতি যে গান্ধাৰী ।
সেউতি মৰুৱা গুৱা নামত তগৰী ॥
গুটিমালি দুৱামালি আৰু ৰাধামালি ।
চন্দুলি বকুলী বগী ৰাম গোপীকালী ॥
ৰাধাই ৰাধিকা সৰুমতি শিবা দই ।
নাহৰা তগৰা তুৰি মতি যে সভাই ॥
কনাকি ৰাঙ্গলি নোহনি কাজলি ।
মোক্ষ মোক্ষ বাচি কিছু কহিলো গোপীনী ॥
তেসম্বে সহিতে আমি ক্রীড়িলো বহুত ।
কৃষ্ণ ৰূপে আসি অৱতৰি গোকুলত ॥
তোমাৰ সঙ্গৰ আবে ভকত যতেক ।
তাসম্বাৰ নাম কহো শুনা তুমি তাক ॥
ৰুক্মিণীৰ পুত্র শঙ্খধৰ মহাশয় ।
তেহেন্তে অচ্যুত গুৰু বুলিয়া কহয় ॥
মিত্র বিন্দাৰ যে পুত্র ভৃঙ্গি বোলে যাক ।
ৰুদ্রভদ্র নাম দেখা বুড়া দৈবজ্ঞক ॥
মিত্র বিন্দাৰ যে পুত্র সদানন্দ সন্ত ।
বিষ্ণো নামে তেন্তে মহা ভকত একান্ত ॥

কালিন্দ্রিৰ পুত্ৰ ভদ্ৰসেন নাম যাৰ।
সৰ্প দংশা গোবিন্দ যে নাম শুনা তাৰ॥
ৰুক্মিণীৰ পুত্ৰ ৰঘুবৰ নাম যাৰ।
পয়োনিধি নাম জানা হৈবেক তাহাৰ॥
লক্ষ্মনাৰ পুত্ৰ কুন্তভোজ নাম জানা।
একাদশ সুতাৰ যে তাৰ নাম শুনা॥
কামদেৱ ভাই শঠ নাম যিটোজন।
শুনিয়োক কহো তান যি ভৈল কাৰণ॥
এক দিনা সত্যা সমে আমি আছো শুইয়া।
হেন সময়ত শঠে দেখিলেক গৈয়া॥
দেখিয়া সত্যায় পাছে তাক দিলা সাপ।
নিলৰ্জ্জ পাপীষ্ঠ তই কিনো মহা পাপ॥
নিৰ্জ্জান থানত মই আছো স্বামী সঙ্গে।
এহিসে কাৰণে তোক সাপো হেৰা থঙ্গে॥
স্তুতি কৰিলন্ত শঠে হেন কথা শুনি।
সত্যা বোলে ক্ষেমো দোষ বৰ দিবো আমি॥
শঙ্কৰ নামক ধৰি কৃষ্ণে জন্মিবন্ত।
শুন অবে তোহোৰ শাপৰ দেবো অন্ত॥
গোপাল নামক ধৰি তহিত জন্মিবি।
অনন্ত মাধৱ পাৱে ভকতি কৰিবি॥
পৰম ৰশিক হুইবি কথাৰ সাগৰ।
মাধৱেও স্নেহ তোক কৰিব বিস্তৰ॥
সেহি শঠে আসি তয় শঙ্গ ভক্ত হব।
তাতে সত্যাশাপ কিছু চিকিৎসা থাকিব॥

ভৱানি পুৰত সত্ৰ তেহন্তে পাতিব।
মতান্তৰ কৰি, পাছে ভক্তি প্ৰবৰ্ত্তাইব ॥
সান্দীপনি গুৰু আৰু হৈব কৰ্ণ পুৰ।
তাৰ পত্নী কথা কহো শুনা অকনীৰ ॥
তোমাৰ নন্দিনী ভৈলো প্ৰভু ভগৱন্ত।
এহি বুলি কৃষ্ণ আগে পুত্ৰ মাগিলন্ত ॥
গুৰুৰ পত্নীৰ হেন শুনিয়া কাৰণ।
মৰা পুত্ৰ আনি সুজিলোহোঁ গুৰু ঋণ ॥
তাতে আসি বিষ্টোনাম মোৰ জীৱভৈলা।
মোত ভক্তি কৰি তেবে বৈকুণ্ঠক গৈলা ॥
তোমাৰ সঙ্গত কৰ্ণপুৰ মোক্ষ হুইব।
স্বপ্ন চলে মূল আৰু শৰণ কৰিব ॥
লক্ষ্মনা সুন্দৰী আৰু উলুকে হৈবন্ত।
তেহেন্তে তোমাত মহা ভক্তি কৰিবন্ত ॥
কৃষ্ণ ভাৰ্য্যা লক্ষ্মনাৰ পুত্ৰ দশজন।
সদা উপাশিব দশো কৃষ্ণৰ চৰণ ॥
মথুৰা দাসক এক জনক জানিবা।
পঢ়িয়া গোবিন্দ আউৰ জনক বুলিবা ॥
পচয়াৰ সাধু আৰ পঢ়িয়া গোপাল।
তোমাৰ সঙ্গত দুয়ো ভক্ত হুইব ভাল ॥
বিষ্টোৰ গোবিন্দ জানা এহি হুয়োজন।
[illegible] হাজৰা নামে ভকত গহন ॥
কৃষ্ণ দাস নাম আৰু জানা এক জন।
সদায়ে চিন্তিব তেহে কৃষ্ণৰ চৰণ ॥

শিৱানন্দ বলোৰাম এহি দশজন।
লক্ষ্মনাৰ তনয়াৰ কহিলো কাৰণ ॥
ভাটো কুাছ মধ্যে কোন পৰম ভকত।
তোমাৰ সঙ্গত ভক্তি কৰিব সাক্ষাত ॥
তযু সঙ্গে ভক্ত আঠ শত এক আসি।
যদু বংশে আসিবেক কহিলো হৰিষি ॥
পুৰুযোত্তমৰ সঙ্গে ভকত যতেক।
যদুবংশী তাৰা সবো কাহলো প্ৰত্যেক ॥
দুই ধিক দুই বিংশ তাহান সঙ্গৰ।
তাৰা সবো যদুবংশী মহা শ্ৰেষ্ঠতৰ ॥
শুনিও মাধৱ তুমি আমাৰ বচন।
সমস্ত ভক্তৰে মই কহিলো কাৰণ ॥
ৰামৰ ভকত যত ভালুক বানৰ।
যদুবংশে তাৰা সবো আহল নিৰন্তৰ ॥
অদ্যাপিৰো তাৰা সব আসিয়া আচন্ত।
একান্ত ভকতি কৰি আমাক পাইবন্ত ॥
দুনাই পুছিলা পাছে চৰণক চাই।
দুয়ো পণ্ডিতৰ কথা কহিয়ো বুজাই ॥
মাধৱ কন্দলি পূৰ্ব্বে আছিলন্ত কেমন।
কি কাৰণে ভৈল দুয়ো পণ্ডিত গহন ॥
উচ্চৈশ্ৰবা স্মৃত অংশ মাধৱ কন্দলি।
পুৰাণ ভাৰত কাব্য কোযে মহা বলী
অনন্ত কন্দলি ভৈলা ৰোম শৰসৰে।
মোৰ মত খণ্ডিবাক চাহিল যতনে ॥

একদিনা বিপ্রে পাছে স্বপ্ন দেখিলন্ত।
তাম্রৰ অঙ্কাত তেহে তৈল ভাজিলন্ত॥
মহা ভয়ে দ্বিজে পাছে শুধিলন্ত কথা।
হাটো তৈল তোৰা সবে ভাজা কিক এথা॥
হেন শুনি তাৰা সবে দিলন্ত উত্তৰ।
শাস্ত্র গৰ্ব্বে শঙ্কৰক নিচিন বৰ্ব্বৰ॥
বহু বিধ বাদ কৰা কৰ শঙ্কৰক।
পেলাবো তোহোক এহি তপত তৈলত॥
হেন শুনি ব্ৰাহ্মণৰ ভয় সম্পজিল।
মিনতি কৰিয়া বহু কহিবে লাগিল॥
কিমতে ইহাৰ হাত এড়াইবো ইবাৰ।
তোৰা সবে হেন উপায়ক কহা আৰ॥
শুনি তাৰা সবে তাঙ্ক বুলিলা দুনাই।
শঙ্কৰত শৰণ কৰহু তই যাই॥
হেন বাক্য যেবে দ্বিজবৰে শুনিলন্ত।
প্ৰভাততে গৈয়া মোত শৰণ লৈলন্ত॥
ভক্তিভাৱে পুনৰপি মাধৱে বুলিলা।
জানিলোহো মোত গুৰু দেৱ তুষ্ট ভৈলা॥
পৰম ৰহস্য কথা পুছিবাক চাওঁ।
তোমাৰ মুখৰ বাপ যেবে আজ্ঞা পাওঁ॥
ইটো শুদ্ধ ধৰ্ম্ম ধৰি কোন পঠে যাই।
স্বৰূপ কৰিয়া মোক কহা অভিপ্ৰায়॥
হেন শুনি গুৰু পাছে দিলা সমিধান।
ইটো শুদ্ধ ধৰ্ম্মৰ নৌকাসে মুখ্য জান॥

ইটো অৱতাৰ গুৰু কিকাৰণে ভৈলা ।
নৌকাৰ গুৰিত কৰ্ণাধাৰ হইয়া ৰৈলা ॥
অনুকুল বায়ু ভৈল দৈবকী তনয় ।
ধৰ্ম্মে নৌকা ধ্বজে তাক জানা মহাশয় ॥
পিৰিপাত জান তাত একান্ত ভকত ।
ছত্ৰেসে আসন ভৈলা জানিবা নাৰত ॥
গুৰু চামৰে বৈঠা জানা স্বৰূপত ।
চাৰিতি শৰণ যিটো চিনায়ো সাক্ষাত ॥
হাতে ধৰি তেহেন্তেৰে নৌকাত তোলয় ।
তাহানেসে কৃপা ভৈলে আমাক পাৰয় ॥
দেৱ গুৰু নাম ভক্ত যি জনে চিনৱে ।
মহাহিত কাৰি বুলি শুদ্ধ ভাৱে সেৱে ॥
সংসাৰ সাগৰ পাৰ তেৱেসে পাৱয় ।
আজ্ঞা প্ৰাজ্ঞা কৰি যিটো তাহাঙ্ক সেৱয় ॥
কোনো বেলা তেহো যদি প্ৰহাৰ কৰয় ।
লাভ মানি স্মৰণক কৰিবা বিনয় ॥
অনেক কাকুতি কৰি মাধৱে পুছন্ত ।
উপদেশ দাতা কোন কৈয়ো ভগৱন্ত ॥
গুৰুহেন বুলি মোক যি জনে চিনন্ত ।
তাহাঙ্কে জানিবা তুমি একান্ত ভকত ॥
উপদেশ দাতা মোত পৰে নাহি আন ।
ভকতি অমিয়া ৰস যিটো দিলে দান ॥
আমাক দেখাৱে যিটো ভক্ত কৃপাময় ।
গুৰুদেৱ নাম ভক্ত তত্ত্বক জানয় ॥

সমস্তকে নিয়া যাতো যেহেতু অৰ্পয় ।
এতেকে জানিবা সৰ্ব্ব সম্বন্ধে স্বতন্ত্ৰ ॥
শুনিয়া মাধবেঁ পুনু বুলিলা বচন ।
মৰ নাট সম্বৰিয়া যাইব কোন থান ॥
আমি সেবকক নিবা কেমন উপায় ।
হৃদয়ৰ বন্ধু মোৰ বাপ যত্নৰায় ॥
অৰুণ চৰণ দুই হৃদয়ত বান্ধি ।
শুধিবে লাগিলা কথা দুনাই কান্দি কান্দি ॥
তন্তি কতো বেলি মাত্ৰ আছিলন্ত ৰহি ।
চকুৰ লোটক ধাৰে দণ্ডে যাই বহি ॥
সহিব নোৱাৰো আতি শোকৰ জ্বালত ।
তমোময় দেখি পৰিলন্ত চৰণত ॥
মোক এড়ি যাহা আবে বাপ জগন্নাথ ।
পৰি পৰি চৰণৰ আগে দিয়া মাথ ॥
শুনিয়া শঙ্কৰে পাছে বুলিলা হাসিয়া ।
নাযাইবো মধেৱ আগে তোমাক এৰিয়া ॥
তথাপিতো থাকিবাৰ কহো মই ঠায় ।
স্থিৰমনে শুনা তুমি মোৰ অভিপ্ৰায় ॥
মোহোৰ থানৰ আবে শুনিয়ো মহিমা ।
নপাও আদি অন্ত মই কহি তাৰ সীমা ॥
নাহি কয় গড়দ্বাৰ নাৰীৰ সঞ্চাৰ ।
ব্ৰহ্মা বিষ্টো হৰ ইন্দ্ৰে নপাৱে ওচৰ ॥
তৈৰ হন্তে আসি আমি আছো এহি পাৱ
সংসাৰী জীৱক আবে তাৰিবাক নাৱ ॥

ধৰ্ম্মৰ পাসৰী দেখা দিয়া আছো আমি ।
তাহাৰ জানিবা মোক্ষ বেহনিয়া তুমি ॥
মহাধীৰ বুদ্ধিমন্ত যিটো নৰ চয় ।
মহা মূল্য ৰত্নচয় বেহাওক নিশ্চয় ॥
মোক যিটো জনে কায় বাক্য মনে ধৰে ।
একচিত্ত মনে যিটো গুৰু বুদ্ধি কৰে ॥
মুকুতি পৰম পদ তাকো চৰাই যাইব ।
মোহোৰ পাশত থান তাৰা সবে পাইব ॥
বচনত মাত্র মোক গুৰু বুলিবেক ।
মনচিত্ত জানা তাৰা আন ভাবিবেক ॥
যিটো শিক্ষা দিবে তাক নধৰিবে মনে ।
আঠ কোটি নৰকত যাইবে এহি গুণে ॥
আৰু তিনি গোটা পন্থ হৈব মহনন্তৰ ।
দামোদৰ হন্তে মত হুইব ব্ৰাহ্মণৰ ॥
প্রতিমাত কাষ্ঠা তীৰ্থে হৈব তীৰ্থ বুদ্ধি ।
মনবাক্য শৰীৰো নুহুইবেক সুদ্ধি ॥
যদি শুদ্ধভাৱে কাষ্ঠা তাহাত কৰয় ।
একবিধ মুকুতিক পাইবে নিশ্চয় ॥
শুদ্ধচিত্ত মনে যদি ভজো কাষ্ঠা নাই ।
মুকুতিৰ কিঞ্চিতেকো সুখক নাপাই ॥
তোমাৰ মনত বুলি লোকত কহিবা ।
দাৰি চুৰি কৰি মাত্র সদা প্ৰবৰ্ত্তিবা ॥
ভাৰ্য্যা পুত্ৰ ধনাদিতো এতি বিশ্বাস ।
শিষ্যৰ ভাৰ্য্যাক গুৰু কৰিবেক গ্ৰাস ।

গোৰ বিৰ্য্যক মাৰি আৰু ধোৱা খাইব।
এহি মহাধৰ্ম্ম বুলি লোকত কহিব॥
সেহি শিক্ষা শিষ্যে দৃঢ় কৰি ধৰিবেক।
তাৰ যেন গতি তাক কহো শুনিয়োক॥
অম্রাৱতি পুৰে কুশ কণ্টক নগৰ।
তাহাৰ মধ্যত থান হৈব তাসম্বাৰ॥
পুৰুষোত্তম, চতুৰ্ভুজ শুদ্ধ ধৰ্ম্ম কৈব।
আসাম দেশৰ যাৰ ভকত আসিব॥
চতুৰ্ভুজ সঙ্গে আৰু হৈব পঞ্চজন।
লোক গুৰুবুলি সবে কৰিব স্মৰণ॥
তাৰা সবো গৈয়া মোৰ থামক পাইবন্ত।
তাসম্বাৰ পুত্ৰ নাতি যেন কৰিবন্ত॥
উচ্চাসনে থাহি মহা ধৰ্ম্ম বিহিবন্ত।
গুৰু দেৱ ভক্ত পদ আপুনি লৈবেক॥
তোমাক আমাক মাত্ৰ বচনত কৰ।
আগে পাছে বন্দি হৈয়া আমাক ধাকিব॥
মোৰ মহা শুদ্ধ ধৰ্ম্ম তাহাক এৰিব।
মহাপৰ্ব্বে সিটো জনে গুৰু পদ লৈব॥
মোৰ কথা শুনি মনে অসুয়া কৰিব।
যদি শিষ্য সোধে তভো ভাণ্ডিয়া কহিব।
সেহি গুৰু বৃক্ষ হুইব জানিবাহা তুমি।
শিষ্যে পক্ষি হুইয়া ভংসে কহিলোহো আমি॥
এহি তিনি মতে জানা লোক নিৰন্তৰ।
গুৰু নিয়া ভ্ৰমিবেক সংসাৰ ভিতৰ॥

পুৰুষোত্তম চতুৰ্ভুজ আৰু দামোদৰ ।
ৰমাকান্ত জগজীৱ পুত্ৰ সুমিত্ৰাৰ ॥
যিটো মোৰ ভৃত্য বংশী তাৰা সৰ্ব্বে আছি ।
মোৰ শুদ্ধধৰ্ম্ম জানা থাকিব প্ৰকাশি ॥
তাৰা সবে জানা তুমি আমাক কহিব ।
ৰামৰায় পুত্ৰহন্তে আমাক নকৈব ॥
এহিমতে পুন্নসেয মোক মাত্ৰ কৈব ।
সাতো জন জানা তেবে মোৰ সঙ্গে যাইব ॥
শুনিয়ো মাধৱ মোৰ থাকিবাৰ থান ।
কীৰ্ত্তন দশম মোৰ মুৰ্ত্তিৰ সমান ॥
নিপুন যি জনে শুক নোহোক বোলয় ।
দশমতো কীৰ্ত্তনতো দেখিবে নিশ্চয় ॥
একখানি মাত্ৰ তুমি ঘোষা নাম কৈবা ।
ঘোষা ৰত্নাৱলী গ্ৰন্থে তুমিয়ো থাকিবা ॥
এহিমতে পুৰুষৰ যেবে সীমা ভৈলা ।
বড় দোকাণক যেবে তেবে দঙ্গা গৈলা ॥
মোক গুৰু বুলি যিটো কৰিব কীৰ্ত্তন ।
সবাকে লগত লৈয়া যাইবো নিজস্থান ॥
মাথা চপৰায়া যেবে মাধৱ আছন্ত ।
শঙ্কৰক চায়া পুনু মিনতি বোলন্ত ॥
এক কথা পুছো প্ৰভু তাক কহিয়োক
কৃষ্ণপাণ তন পিত্ত সিদ্ধান্ত দিয়োক ॥
জন্মিলন্তে বসুদেৱে গোকুত নিলা ।
কোন সময়ত কৃষ্ণে তনকযে খাইল ॥

তেনশুনি গুৰু পাছে বুলিলা বচন ।
কংশক বধিবে মই গৈলো তেতিক্ষণ ॥
পিতৃৰ মাতৃৰ পাছে নিহৃণ চুৰিলো ।
দুই ভাই তানপাছে চৰণে পৰিলো ॥
আমাৰ নিমিত্তে দুঃখ পাইলা বহুতৰ ।
পিতৃক মাতৃক স্তুতি কৰিলো বিস্তৰ ॥
মহা প্রেমে দৈৱকীৰ লোতক জৰিল ।
সাবটিয়া ধৰি মোৰ শিৰক ঘ্রানিল ॥
স্নেহত তাহান তেবে তন জৰি গৈল ।
কৃষ্ণৰ অধৰে সেই তন প্ৰৱেশিল ॥
মোৰ পিতা অৱশেষ ভৈল সিকাৰণে ।
তাকেসে ভুঞ্জিল মৰিচিৰ পুত্ৰগণে ॥
মাধৱে পুছিলা পুনু কৰি নমস্কাৰ ।
দেৱ দেৱ পৰম ব্ৰহ্ম জগত আধাৰ ॥
মই ভিক্ষুকক প্ৰভু দিয়ো মহা দান ।
নাহিকে অনাথ মই পাপীৰ সমান ॥
এভৱ সাগৰে মই মজিলো সমুলি ।
কৰিয়ো উদ্ধাৰ বাপ মোক ভৃত্য বুলি ॥
চাৰিটী শৰণ বাপ কহিয়ো হৰিষে ।
মোহোৰ অজ্ঞান যত গুচোক নিঃশেষ ।
শঙ্খ গুৰু চক্রে দেৱ বুলিয়া কহিলা ।
গদাপাম ভক্তে পদ্ম হেন শিক্ষা দিলা ॥
যিটো পূৰ্ণ ব্ৰহ্ম তুমি জগত কাৰণ ।
গুৰুৰূপে সবে বাপ দিলা ভক্তি দান ॥

শঙ্খে গুরু ভৈলা হেন কিমতে জানিবো।
কেন মতে চক্রে দেব তাহাক মানিবো॥
গদানাম ভক্তে পদ্ম বুলি মোত কৈলা।
চাৰি অস্ত্রে চাৰি বস্তু কেনমতে ভৈলা॥
চেদিয়ো শংসয় মোৰ গুৰু কৃপাময়।
যেম মতে চাৰি ভক্তি শুনায়ো নিশ্চয়॥
শুনিয়া শঙ্কৰে পাছে বুলিলা তুনাই।
কহিয়ো কাৰণ তুমি শুনা অভিপ্রায॥
চাৰিয়ো নামক চাৰি বস্তুসেৱা কৈলা।
সেৱাৰ নিমিত্তে ভিন্ন ভিন্ন নাম ভৈলা॥
দৃষ্টান্ত প্রকাৰে তুমি ইহাক জানিবা।
মুল বস্তু ভৈল হেম আৰু মুবুজিবা॥
আত অনন্তৰে কথা শুনা মন কৰি।
গদ সাত্যকিয়ে পূর্ব্বে যেন আছে কৰি॥
যদুবংশ নির্য্যান যে ভৈল যি বেলাত।
তুমি কৃষ্ণে তাসম্বাক বাধিলা ৰহুত॥
মহা মতোয়াল হৈয়া বাধা নুশুনিল।
মহা মদ গর্ব্বে দুয়ো চৰণ তুলিল॥
সেহি পাপ ফলে দুইৰো গাৱে কালি হুইব।
আত কিঞ্চিতেকো লোকে শঙ্কা নকৰিব॥
পূর্ণ কৃষ্ণ তাৰা সবে অংশ আতিশয়।
সি কাৰণে তাসম্বাৰ ভৈল দাস চয়॥
কৃতাঞ্জলি হুয়াস্তুতি মাধৱে কৰন্ত।
এক কথা কহো আবে অচ্যুত অনন্ত॥

কোন পাপে হৰিশ্চন্দ্ৰ চাণ্ডাল যে ভৈল ।
কিবা হেতু টান মহা বিপত্তি যে গৈল ॥
শুনিয়া সাধুয়ে আৰে তাহাৰ উত্তৰ ।
যি কাৰণে ৰাজা দাস ভৈল চাণ্ডালৰ ॥
ধৰ্ম্মৰ তনয় তেন্তে পূৰ্ব্বত আছিল ।
স্নেহ কৰি পিতৃ চন্দ্ৰহাশি নাম দিল ॥
চন্দ্ৰহাশি নাম তান ভৈল কিবা হেতু ।
মহাক্ষাতি মন্ত তেহো যেন ধৰ্ম্ম সেতু ॥
এক দিন ধৰ্ম্ম আছা নাৰীৰ সঙ্গত ।
কামাতুৰ যেন তুমি ভৈল উনমত ॥
মহন্ত জনৰ ভৈল এনয় স্বভাৱ ।
এহি বুলি চন্দ্ৰ চলি গৈল নিজ থাৱ ॥
সেহি বিৰ্যো ধৰ্ম্মৰাজ পুত্ৰ জন্মিলন্ত ।
চন্দ্ৰে হাসি গৈয়া ঋষি গাৱে ধৰিলন্ত ॥
দিনেক বশিষ্ঠ পিতৃ যজ্ঞ কৰিলন্ত ।
তান পাছে চলিয়া যে আপুনি গৈলন্ত ॥
চাণ্ডাল বুলিয়া তাক বশিষ্ঠ সাপিল ।
চন্দ্ৰ হাসি পাৱে পৰি কাকুতি কৰিল ॥
অল্প দোষে গুৰু তুমি সাপিলা কিসক ।
ইসব শাপৰ মোত অন্ত কহিয়োক ॥
শুনিয়া বশিষ্ঠে পাছে বুলিলা বচন ।
মোহাৰ শাপৰ অন্ত কৰো তাক শুন ॥
ত্ৰেক কল্পে ধৰ্ম্মে গৈয়া তৃসঙ্ক ভৈলন্ত ।
সপ্ত দ্বীপা পৃথিবীৰ ভোগ ভুঞ্জিলন্ত ॥

তাহান গৃহন্তে পাছে জন্মিবিহি তয়।
হৰিশ্চন্দ্ৰ নাম হৈব কহিলোহো ময় ॥
তোৰ পুৰোহিত গুৰু আমি হৈবো হায়।
ভজিবি বিষ্ণোক তই কৰি ৰাজসূয় ॥
পূজা নাপায় গণেশেয়ো বিঘ্নি আচৰিব।
বিশ্বামিত্ৰ হন্তে তোক চাণ্ডালে কিনিব ॥
চাণ্ডাল যি হৈব শুনিয়োক তাৰ কথা।
চাণ্ডাল স্বৰূপে আসিবেক ধৰ্ম্ম তথা।
বশিষ্ঠৰ শাপে জানা চাণ্ডাল ভৈলন্ত।
মহা বিগ্ৰহতো তভো সত্য নেৰিলন্ত ॥
নমস্কাৰ কৰি দুনাই মাধৱে বুলিল।
মনৰ শংসয় মোৰ সমস্তে গুচিল ॥
আৰু এক কথা পুছো শুনা কৃপাময়।
মহা বিপৰীত মোৰ শংসয় আছয় ॥
গোলোকৰ গৰু গোপ তৃণ বন যত।
বোলো আত আমি আছে সিসব সমস্ত॥
শুনা সভাসদ পদ অমূল্য ৰত্নৰ।
বোলা হৰি হৰি সমাজিক নিৰন্তৰ ॥

—————*:*—————

দুলড়ি।

শিঙ্গাবেত বেনু, উৰ্থল ৰজ্জু,
কোনে কোন বিধ ভৈল
তোমাৰ পাৰত, কোন জনে আসি,
কোন ৰূপে সেৱা কৈল ॥

ইহাৰ কাৰণ, কহিয়োক বাপ,
আনথৰ নাথ তুমি।
হে প্ৰাণ ব্ৰহ্ম, তোমাৰ চৰণে,
শৰণে পশিলো আমি ॥
মাধৱৰ বাণী, শুনিয়া শঙ্কৰ,
বুলিলা পাছে বচন।
যিবা বস্তু যিবা, ৰূপে আসি ঐত,
আমাৰ সেৱে চৰণ ॥
বৈকুণ্ঠৰ ফল. অমোঘ জানিবা,
তৈত পিতা পুত্ৰ ভৈলা।
পাপৰ বাসনা, কলসক ভাগী,
যেন মতে নষ্ট কৈলা ॥
ধৰ্ম্মে সেহিমতে, কৰ্ম্মৰ বাসনা,
সমস্তে কৰিলা ক্ষয়।
পণ্ডিত সবাৰো, সম্বন্ধি জানিবা,
ধৰ্ম্মে ভৈল সেহি নয় ॥
কৃষ্ণৰ যতেক, তাৰ থাক আদি,
ৰেত বেষ্ট নিৰন্তৰ।
এভো অসি সেই, তাৰ থাক ৰূপে,
ভৈলেক মোৰ হাতৰ ॥
সেহিসে কাৰণে, বালক কালত,
মাটিত আঙ্গুলি দিয়া।
সমস্তে গাৱৰ, ভৰদিয়া মই,
আলগে থাকো বহিয়া ॥

থায়ু নিৰোধন, সিটো অলঙ্কাৰ ,
চিন্সিয়া সবে পৰিল ।
মোহোৰ অদ্ভুত, দেখিয়া কৰ্ম্মক,
সবেৰো বিস্ময় ভৈল ॥
গুৰুৰ চৰণে, নমস্কাৰ কৰি,
মাধৱে তুনাই পুছিলা ।
সুদামা যিমতে, মালাক দিলন্ত,
তহিতে কৃষ্ণে পিন্ধিলা ।
কিবা হেতু কৃষ্ণে, সেই অঙ্গমালা,
মাথাত আনি লৈলন্ত ।
কহিয়ো কাৰণ, মোৰ ইষ্টবন্ধু,
তহিতে কোনে ভৈলন্ত ॥
পূৰ্ব্বে বৈকুণ্ঠত, কৃষ্ণে আদেশিলা,
যিটো নিজ বনমালা ।
কংশ বধিবাক, যাহান্তে পথত,
সুদামা তাকেসে দিলা ॥
তাতে মহাতুষ্ট, হুয়া পাছে মই,
অচলা ভকতি দিলো ।
সেহি বাসনায়ে, সুদামাক জানা,
অহিক তুনাই আনিলো ॥
কৈবৰ্ত্ত কুলত, পৰীক্ষিত নাম,
পৰম বৈষ্ণৱ ভৈল ।
মহা ভক্তি বলে, অহিতো তেহেন্ত
আমাৰ মলিয়া হৈল ॥

সেহি তৈৰ পন্থা, আনিয়া অহিতো,
মালতি পুষ্প ভৈলন্ত ।
পৰীক্ষিতে তাৰ, মালাক পাঠিয়া,
নিতান্তে মালা যোগান্ত ॥
তুমি শুদ্ধ চিত্ত, গন্তিৰতো ধিক,
আমাৰ সাক্ষাতে প্ৰাণ ।
কিকাৰণে তুমি, দাস ভাব ভৈলা,
তাহাৰ শুনা কাৰণ ॥
বলোভদ্ৰ তুমি, আসিলা যৈসানি,
ৰেৱতী তযু সুন্দৰী ।
নাট মন্দিৰত, নটে নৃত্য কৰে,
চাইলা তাকে ৰঙ্গ কৰি ॥
তুমি আমি পাছে, তাঙ্গাঙ্ক দেখিলা,
শাপিলাহা ক্ৰোধ মনে ।
ডোম চাণ্ডালৰ, পত্নীৰ সদৃশ,
তোহোৰ দেখো লক্ষণ ॥
সবোধন নামে, বিদ্যাধৰ সিটো,
নটিক আছে নছাই ।
সৰ্ব্বদায়ে সিটো, ক্ৰীড়িয়া থাকয়,
দুন্দুভি মৃদঙ্গ বাই ॥
বলোভদ্ৰে বোলে, শুন বিদ্যাধৰ,
পাপীষ্ঠ তয় নিস্থল ।
মোহোৰ ভাৰ্য্যাৰ, আগে ক্ৰীড়া কৰ,
দিবো তোক প্ৰতিফল ॥

বধিবেক মানে, গৰ্ভ বাস ভুঞ্জি,
ডোমৰ কুলে জন্মিবি।
বিদ্যাধৰ নাম, গুচিবেক তোৰ,
হিন কুলে উপজিবি ॥
মহা কোপ মনে, ৰেৱতী তেক্ষণে,
তোমাক বুলিলে বাক।
অল্প অপৰাধে, কি কাৰণে প্ৰভু,
শাপিলা তুমি আমাক ॥
মোক অনা দোষে, শপিবাৰ ফল,
তোমাত মিলোক স্বামি।
দাস হুইবে প্ৰভু, তোমাৰ লাগোক,
নিষ্ঠে বুলিলোহো আমি ॥
শুনি হাসি পাছে, বলোভদ্ৰে বোলে,
শুনিও ৰেৱতী সতি।
যদ্যপি তোমাক, শাপ দিলো আমি,
লভিবা পৰম গতি ॥
বড়দোৱা নামে, শঙ্কৰ স্বৰূপে,
কৃষ্ণে জন্মিবন্ত যাই।
তাহান সেৱক, হুয়া আমি তৈত,
দাস তান হুইবো মই ॥
এহি বিদ্যাধৰ, পূৰ্ণানন্দ নামে,
নদীয়াল হুইবি যাই।
তোৰ ৰাধা নাম, হৈবেক তহিত,
তাৰ ভাৰ্য্যা হুইবি যায় ॥

তথাপিতো তোক, হৰিতে নপাৰি,
নপুংশক সিটো হুইব ।
শান্তি হেন [redacted]নি, শঙ্কৰে তোহোক,
জাল বঢ়াই বাক নিব ॥
সেহি ত্ত্ব বাক্য, আকলিয়া আমি,
শান্তিৰী চিয়া দেখাবো ।
শক্তিং স ৰ, শান্তি বিচাৰিয়া,
কহিতে আমি নপাৰো ॥
অণ্যান্য কুলত, শান্তি আছে নাই,
সমস্তকে দৰশাবো ।
ৰ ৰ হুয়া মধ্যে, পণ্ডিত সৱত,
শান্তিক যুজি নপাবো ॥
সেহিসে কাৰণে, ৰাধিকা অহিত,
মুক্ত্য ওৰ শান্তি ভৈল ।
পণ্ডিতৰ মুখে, ছাইক পেলাই,
পলত জল আনিলা ॥
ৰাধিকাৰ কুলে, সপ্তম পুৰুষ,
? কণ্ঠক চলি যাইব ।
যে লো নিষ্ঠ ৰখি, শুদ্ধ ধৰ্ম্ম ধৰি,
মোৰ পাশে থান পাব ॥
সেহিসে কাৰণে, তোমাৰ জানিবা,
ত্ৰিবিধ প্ৰকাৰ ভৈলা ।
দেখা পূৰ্ত ধৰ্ম্ম, দাস ভাব আদি,
জ্ঞান প্ৰভৃতি পাসৰিলা ॥

শঙ্কৰ স্বৰূপ, জগত ঈশ্বৰ,
ধন্য তাৰ গুণ নাম।
বোলে মাধদেৱে, উচ্চৈঃস্বৰে,
ডাকি বোলা ৰাম ৰাম ॥

পদ।

হে পৰম ব্ৰহ্ম প্ৰভু নাথ নিৰাকাৰ।
তোমাৰ চৰণে কোটি কোটি নমস্কাৰ ॥
অই ভিক্ষুকক প্ৰভু দিয়া উপদেশ।
হৃদয়ত থাকি মোক নাথ হৃষিকেশ ॥
হে পৰম গুৰু প্ৰভু দৈৱকী নন্দন।
ব্ৰহ্মা আদি কৰি তযু চৰণ বন্দন ॥
সহস্ৰ বয়নে যাৰ অনন্ত নপাই।
সনক সুনন্দ শিষ্যসবো গুণ গাই ॥
ভাস্কৰ উদয়ে যেন অন্ধকাৰ ক্ষয়।
তেন মতে অন্ধকাৰ নাশিলা নিশ্চয় ॥
যেন সিংহ নাদে মৃগ গণ হয় ভয়।
অৰণ্যক এৰি বহু দূৰে পলায়য় ॥
যেন মহা অৰণ্যক অগ্নি কৰে ক্ষয়।
পাষণ্ডে অৰণ্য ভৈল ভূমি অগ্নিময় ॥
যেন হৰি দেৱতাক অমৃত ভুঞ্জাইলা।
অদ্যাপিয়ো সেহি মতে ভক্তি দান দিলা ॥
অমৃত ভুঞ্জিয়া দেৱে উন্মত্ত ভৈলন্ত।
তযু ভকি মৃত প্ৰভু নিমত লোচন্ত ॥

যিটো ভক্তি ৰস পান কৰে ভক্ত গণে।
তোমাৰ চৰণ চিন্তে কায় বাক্য মনে ॥
তাসৱাৰ [illegible] প্ৰভু মই এক জন।
মহা গুৰুতৰ সঙ্গ আছে নাৰায়ণ ॥
মায়াৰ কাৰণে আৰে কৈয়ো গুৰুদেৱ।
তুমি বিনে মোহোৰ বান্ধৱ নাহি কেৱ ॥
শুনিয়ো মাধৱ তুমি চিত্ত স্থিৰ কৰি।
পৰম শ্ৰদ্ধায়ে যিটো সোধয় সাদৰি ॥
তাহাতে কহিবা ইতো কথা সহ ভক্ত।
নকহিবা ইতো কথা দাম্ভিক জনত ॥
প্ৰথমৰ গুৰু কৃষ্ণ জানিবা নিশ্চয়।
দ্বিতীয়ৰ অক্ষৰক দেৱ বুলি কয় ॥
তৃতীয়ৰ হৰিনাম বুলিয়া জানিবা।
চতুৰ্থৰ নাম নিজ ভক্ত বুলি লৈবা ॥
শৰন প্ৰকাৰে চাৰি বস্তু মনে লৈব।
সেহিসে কাৰণে আক গোপ্য কৰি থৈব ॥
আৰু প্ৰথমৰ কৃষ্ণ মৎস্য মাধৱৰ।
দ্বিতীয়ৰ অঙ্গ শুনা কূৰ্ম্ম ঈশ্বৰৰ ॥
তৃতীয়ৰ কৃষ্ণে নৰ সিংহ শক্তি কয়।
চতুৰ্থৰ অঙ্গ বামণৰ শক্তি চয় ॥
পঞ্চমৰ শক্তি শুনা পৰশু ৰামৰ।
ষষ্ঠৰ যে শক্তি ভৈল হলি যে ৰামৰ ॥
বাৰাহৰ শক্তি আৰু আকাৰকে জানা।
শ্ৰীৰামৰ শক্তি আৰে অষ্টমৰ শুনা ॥

নৱমৰ আকাৰক·বোদ্ধক কহিলো।
দশমৰ শক্তি আৰে কল্কি বুলি কৈলো॥
দশ অক্ষৰৰ এহি অন্বয় কহিলো।
শ্ৰৱণক নাম কৰি মালা মধ্যে থৈলো॥
মোৰ নিজ জানা লক্ষ্মী আদি ভক্ত চয়।
মালা রূপ হৈয়া দেখা গলে প্ৰকাশয়॥
মালা ডোল হৈল তাতে একান্ত ভকত।
গোপ্যৰো পৰম গোপ্য কহিলো তোমাত॥
মহা গোপ্যতম আৰু কথা শুনিয়োক।
ইহ বোলে শুনা সবে অপেশ্বৰা লোক॥
মোৰ পদ সেৱে খোজে নৰ নাৰায়ণ।
তাঙ্ক মুহিয়োক গৈয়া কৰিয়ো যতন॥
ইন্দ্ৰ আজ্ঞা পায় পাছে অপেশ্বৰা গণ।
বদৰিকা শ্ৰমক গৈলন্ত তেতিক্ষণ॥
তপ কৰি আচা তৈত নৰ নাৰায়ণ।
বিদ্যাধৰ অপেশ্বৰা গৈলা সেহি থান॥
দুন্দুভি মৃদঙ্গ বাই নাচিবে লাগিলা।
নাৰায়ণ আগে হেন ভাৱ দৰশাইলা॥
পঞ্চ স্বৰ তুলি ৰাগ দিলন্ত উচ্চাই।
মদগৰ্ব্বে বিদ্যাধৰে মৃদঙ্গ বজাই॥
নাচিবে লাগিলা অপেশ্বৰা ভঙ্গি ভাৱে।
কাৰ পিঠি দেখাৱন্ত বস্ত্ৰ খসাই পাৱে॥
কামদেৱে পুষ্প বাণ হানিলা সন্ধানে।
কতোক্ষে। নকৰে তাক নৰ নাৰায়ণে॥

নৰায়ণ বোলে শুনা ইন্দ্ৰ অনুচৰা
কামুক নিলাজ পাপ অধম পামৰ ॥
পতঙ্গ পৰহি যেন অগনিৰ মাজে।
আমাক মুহিবে আইল অধম নিলাজে ॥
যিটো নাৰী লৈয়া মোক আইলি মুহিবাক ॥
মোৰ শৰীৰত নাৰী দেখাও চাহি থাক ॥
এহি বুলি নাৰায়ণে যোগ মায়া বলে।
উৰ্ব্বসিক মুক্ষ্য কৰি কণ্যাক সকলে ॥
ৰূপে গুণে যৌবণী পদ্মিণী কন্যা সাৰ।
স্ৰজিলন্ত নাৰায়ণে ষোড়শ হাজাৰ ॥
কতো নাৰী চামৰ ধৰিয়া কত্তো বিঞ্চে।
কতো কতো নাৰী সুশীতল জল শিঞ্চে ॥
কতো নাৰী কৰ্পূৰ তাম্বুল যোগাৱন্ত।
কতো নাৰী নাৰায়ণ পাৱক মৰ্দ্দন্ত ॥
চতুৰ্ভিতি বেঢ়ি সেৱা কৰে নিৰন্তৰে।
দেখিয়া বিস্ময় ভৈল যত বিদ্যাধৰে ॥
নাৰায়ণ বোলে শুন অৰে দুষ্টগণ।
দিবো আৰ ফল তোক শুনিবি বচন ॥
সামান্তৰ লঘুক্ৰম কৰ যেন তই।
তাৰ প্ৰতি ফল দিবো তোক আজি মই ॥
বড় কৰ্দৰ্থনা কৰ মোক তয় পাপী।
এহি বুলি নাৰায়ণে শাপিলেক কুপি ॥
অগনিত হাত দিয়া আৰে পাপী সবে।
মহাকোপে তাসম্বাক শপিলন্ত তেবে ॥

দেৱ দেহা এৰি হুইবি অধম গোৱাল।
মোক দ্রোহ কৰি তোৰ ভুহিবেক ভাল॥
হেন শুনি বিদ্যাধৰে স্তুতি বিনাবন্ত।
আচৰিলো পাপ কিনো দেৱ ভগৱন্ত॥
অধমৰ দোষ ক্ষমা কৰিয়ো আমাৰ।
দণ্ডৱতে চৰণত কৰো নমস্কাৰ॥
তাতে তুষ্ট ভৈলা পাছে দেৱ নাৰয়ণ।
শুনি তাসম্বাৰ হেন বিনয় বচন॥
সেহি বেলা দন্তে আসি মাতিলন্ত ৰণ।
নাৰায়ণে নৰক যে বুলিল বচন॥
দেখিয়ো দন্তক তুমি বধিয়োক যায়।
দ্বন্দ কিনি কুৰে ইতো কাকো নডৰায়॥
আজ্ঞাশিৰে ধৰি নৰে কৰিলা গমন।
ঈশিকাৰ ধনু বাণ লৈলা তেতিক্ষণ॥
মহাকোপে নৰে গৈয়া বাণ প্রহাৰিলা।
ঈশিকাৰ বাণে গৈয়া দন্তক পীড়িলা॥
গৰ্ব্বচুৰ ভৈল দন্তে এৰিলেক ৰণ।
নাৰায়ণ পাৱে পৰি লৈলেক শৰণ॥
দণ্ডৱতে দন্তে ভান পৰি চৰণত।
অনেক ভকতি ভাৱে কাতৰ কৰন্ত॥
নাজানি কৰিলো দোষ ক্ষমা জগন্নাথ।
এহি বুলি দন্তে চৰণত দিয়া মাথ॥
হেন শুনি বুলিলন্ত জগত ঈশ্বৰ।
ভৈলো তোত তুষ্ট দন্ত লৈয়ো আৰে বৰ॥

শুনি কৰ জোড়ে দম্ভে বুলি স্তুতি বাণী ।
হে প্ৰাণ নাথ প্ৰভু শুনা চক্ৰ পাণি ॥
যদি মোক দিলা বৰ নাথ নাৰায়ণ ।
মোক লাগি হানিলাহা যিবা অস্ত্ৰ গণ ॥
দিবো বৰ দম্ভ তয় শুন মোৰ বাণী ।
নৰক জিনিবে তয় পাইবিহি বৈসানি ॥
যতেক শকতি মোৰ সমস্তকে দিবো ।
বসুদেৱ গৃহে শুন আমিয়ো জন্মিবো ॥
পাণ্ডুৰৰ ঘৰে যাই নৰ জন্মিবেক ।
কৃষ্ণ ধনঞ্জয় দুই নাম ধৰিবেক ॥
অধম গোৱাল মধ্যে মুখ্য হৈবি তয় ।
এহি অস্ত্ৰে তাক হুইবে বুলিলোহো মই ॥
কৃষ্ণে বৈকুণ্ঠক যাণ্ডে সবে শক্তি নিব ।
অৰ্জ্জুনৰ যত শক্তি সমস্তে গুচিব ॥
বিষ্ণাধিৰ হৈবা তান্তে অধম গোৱালে ।
অৰ্জ্জুনক জিনিবি বুলিলো সেহি কালে ॥
কৃতাঞ্জলি কৰি নৰে বুলিলা বচন ।
কি কাৰণে শাপিলাহা প্ৰভু নাৰায়ণ ॥
শুনি নাৰায়ণে পাছে বুলিলা বচন ।
তোমাৰে আমাৰ জানা এক জীৱ প্ৰাণ ॥
তুমি মহ্যু প্ৰিয়তম সুহৃদ পৰম ।
নাহিকে বান্ধৱ মোৰ নৰ তুমি সম ॥
বেদো শাপ ইটো মহা বৰযে প্ৰধান ।
ইসব শাপৰ স্থানে কহিবো নিদান ॥

ইটো দেহ এবি হুইবা ধনঞ্জয় নাম ।
শতেক কৌৰৱে যাক নহিবেক সম ॥
মহা পৰাক্ৰমী হুইবা বীৰ মধ্যে সাৰ ।
আমি সমে হুয়ো হৰিবোহো ভূমি ভাৰ ॥
কৃষ্ণে বৈকুণ্ঠক যাস্তে লাগক নপাইবা ।
জীৱন্তে মুকুত হৈয়া উত্তৰক যাইবা
সিটো দেহা এবি আবে শুনিয়ো বচন ।
ষাঠি সহস্ৰেক যুগ যাইব যেতিক্ষণ ॥
ধোলো মই যত ভক্তি সমস্তকে নিবো ।
শঙ্কৰ স্বৰূপে শূদ্ৰ কুলত জন্মিবো ॥
তাহান বংশত আমি দুই হন্তে জন্মিবো ।
অনন্ত সভাব নাৰায়ণক আনিনো ॥
হুয়ো নাৰাযণ পাছে হৈবো এক থান ।
তিনি মিলি শুনা আমি দৈবকী নন্দন ॥
শঙ্কৰ সহিতে আমি এক জীৱ প্ৰাণ ।
কি কাৰণে শ্ৰেষ্ঠ তুমি শুনিয়ো কাৰণ ॥
তিনিয়ো জন্মৰ শক্তি শঙ্কৰে নিবন্ত ।
বিভূতি কলাৰ যত শক্তিয়ো যাইবন্ত ॥
অংশৰ কিঞ্চিত চিহ্ন মোত মাত্ৰ থৈব ।
সেহিসে কাৰণে তাক পূৰ্ণ গুৰু কৈব ॥
তাহান বংশত শূদ্ৰাণীৰ গৰ্ভে যায় ।
তোমাৰ জন্মৰ আবে কৈলো অভিপ্ৰায় ॥
পৰম বৈষ্ণৱ হৈবা নাই কোপ তাপ ।
কি.কৃ.চ.কা তোমাক যে দুহি.ৰক পাপ ॥

মোৰ তেজ চয়, শক্তি অতিশয়,
সেহি চক্ৰ আসি হৈল।
তাতেসে বলৈৰ, হাতৰ মুষল,
মহা পৰাক্ৰমী ভৈল॥
মাধৱ বদতি, শুৰুক বোলন্ত,
নেৰিয়া পাদ দুতয়।
কি কাৰণে বলো, কঙ্কন কুন্দল,
এক অঙ্গে পিন্ধিলয়॥
শঙ্কৰে বোলন্ত, শুনিয়ো মাধৱ,
ইহাৰ তুমি সিদ্ধান্ত।
যি কাৰণে বলো, ডাহিন ভাগত,
অলঙ্কাৰ নলৈলন্ত॥
প্ৰকৃতি বিভাগে, ভৈল তাতে বলো,
অলঙ্কাৰ সাৰ লৈল।
কঙ্কণ কুণ্ডল, নাহিকে বি ভাগে,
পুৰুষ সেভাগে হৈল॥
মাধৱ বদন্তি, কৰযোড় কৰি,
বোলন্ত অনেক স্তুতি।
মই মহা দিন হে ভগৱন্ত,
নজানো স্তুতি ভকতি॥
বঙ্গ ভূমি মধ্যে, অৰ্জুনক যেন,
মহা জ্ঞান দান দিলা।
সেহি মতে প্ৰভু, মোহোৰ মনৰ,
সংসয় সবে গুচাইলা॥

তযু নিজ ভৃত্য,   হৈভেলো শুক সেব,
কৰোহো কোটি বন্দন ।
কোনে আসি ত্ৰৈত,   বণাগ্নি যে হৈকল,
কহিয়ো তাৰ নিদান ॥
মাধৱৰ বাণী,   শুনিয়া শঙ্কৰে,
দিলন্ত পাছে সিদ্ধান্ত ।
মোৰ তেজ চয়,   ব্ৰহ্মা আদি দেৱ,
নিহালিবে নপাৰয় ॥
অমোঘ তেজৰ,   অদ্ভুত প্ৰভাৱ,
ভকতে মাত্ৰ জানন্ত ।
মোৰ শৰীৰৰ,   তেজ বাজ হয়া,
সেহিতো অগ্নি হৈলন্ত ॥
কোটি সূৰ্য্য নয়,   মোৰ তেজ চয়,
গোপ গোপী নলক্ষয় ।
মহা তাপ পায়া,   অগ্নি বুজি তাক,
বনে হৈভল মহাভয় ॥
সেহিসে কাৰণে,   গোপক গোপীক,
চক্ষু মূদিবাক দিলো ।
নিজ যোগ বলে,   বনাগ্নি তেজক,
প্ৰভু যে পান কৰিলা ॥
কৰযোড় কৰি,   চৰণত ধৰি,
মাধৱে ছুনাই পুছন্ত ।
কি কাৰণে কৃষ্ণে,   যশোদাৰ ঘৰে,
মৃত্তিকাক ভুঞ্জিলন্ত ॥

শুনিয়ো মাধৱী, মোহোৰ বান্ধৱ,
মহা গুহ্যতম কথা।
ধৱলি পিয়লি, কাজলি পাৰলি,
চাৰি বেদ হৈল তথা ॥
তাতে শুদ্ধ ধৰ্ম্ম, দুগ্ধ ৰূপা হৈল,
যশোদা তাকে মথিলা।
কৃষ্ণে তন পান, নমাইবে নপাৱে,
উথলি দুগ্ধ পৰিলা ॥
সেহি শুদ্ধধৰ্ম্ম, এক ভগনিয়া,
মৃত্তিকা তাৰ হৈলন্ত।
কৃষ্ণে আনি তাক, সেহি মৃত্তিকাক,
আনন্দে তাক খাইলেক ॥
সেহিসে নিমিত্তে, তথ ৰ লোকক,
মুখ্যাক কৃষ্ণে নিদিল।
যাতো শুদ্ধ ধৰ্ম্ম, এক ভাগনিয়া,
গৰ্ভৰ মধ্যে ৰাখিল ॥
সেহি কৃষ্ণে আসি, গৰু ৰূপ ধৰি,
মুখ্য ধৰ্ম্ম প্ৰচাৰিলা।
মহা শুদ্ধ ভাবে, যিটো জনে ধৰে,
পৰম সম্পদ দিলা ॥
ইটো গুহ্যতৰ বেদৰ গোপ্যনি,
জ্ঞানী গণে নজানয়।
তুমি পুৰুষতম, সুহৃদ পৰম,
তোমাত কৈলো নিশ্চয় ॥

পাদ ।

আজি অনন্তৰে কথা শুনিয়ো মাধৱ
তুমি মহা প্ৰিয়তম পৰম বান্ধৱ ॥
কংশৰ বস্ত্ৰৰ কথা কহো শুনা তাক ।
খুজিলো বসন ধোবা নিদিলে আমাক ॥
পূৰ্ব্বৰ ছুৰ্ম্মুখ ধোবা মহা অহংকাৰ ।
সিতাক কলঙ্ক দিলে অজ্ঞানী বৰ্ব্বৰ ॥
লোকৰ গৰিহা সিটো সহিত্তে নপাৰি ।
পৰম দুৰ্ম্মুখ ধোবা মহা অহঙ্কাৰী ॥
সিতা দেবী মন দুখে পাতালক গৈল ।
লব কুশে ৰাম পাৱে পৰি.া কান্দিল ॥
মাতৃ বেৰী গোবা অ.ৰ মাথা ছেদিয়োক ।
হৃদয়ৰ তাপ চা দুৰ কৰিয়োক ॥
সাম্ফলিবে তসু বাক্য শুন পুত্ৰগণ ।
ইহাৰ মাথ.ক মঞি চেদিবো এখন ॥
সত্যে সত্যে বোলো আৱে কৰি অঙ্গীকাৰ ।
ইটো পাপীষ্ঠৰ আৱে চিন্তিবোহো মাৰ ॥
শুনি আথে বেথে ধোবা গৈয়া তেতিক্ষণ ।
বশিষ্ঠৰ চৰণত লৈলেক শৰণ ॥
তাহাৰ কাতৰ দেখি ব্ৰহ্মাৰ নন্দনে ।
ৰামৰ পাশক লাগী গৈলা ৰঙ্গমনে ॥
গুৰু আসিবাৰ দেখি ৰাম ধামভাগে ।
পাদ্য অৰ্ঘ দিকা নিয়া বশিষ্ঠৰ আগে ॥

৭

কৰযোৰ কৰি ৰামে শুকত শুধিলা।
কহিয়ো কাৰণ শুক কি কাৰ্য্যে আসিলা॥
বশিষ্ঠে বোলন্ত ৰাম শুনা মহাশয়।
সাক্ষাততে ব্ৰহ্ম তুমি ঈশ্বৰ উদয়॥
পাপীষ্ঠ ৰজক আবে দোষ ক্ষমিয়োক।
নিন্দক পাপীক আবে নিৰ্ভয় দিয়োক॥
শুকক বোলন্ত আবে ৰামচন্দ্ৰে চাই।
মহাদুষ্ট পাপী আক চাইবে নুজুৰাই॥
অঙ্গীকাৰ কৰি আমি আছো বধিবাক।
মহাবৈৰী পাপী কেনে ৰাখিয়ো ইহাক॥
তোমাৰ বচনে আক ৰাখিয়ো ৰক্ষণ।
ইজন্মে নিৰ্ভয় দিলো বুলিলো বচন॥
আউৰ জন্মে ইটো অঙ্গীকাৰ সাম্ফলিবো।
কৃষ্ণ অৱতাৰে আৰ শিৰক ছেদিবো॥
কংস বধিবাক কৃষ্ণে যাইব মথুৰাক।
বস্ত্ৰ লৈয়া যান্তে পথে লাগ পাইবো তাক॥
আগ বাঢ়ি গৈয়া তাক খুজিবো বসন।
বস্ত্ৰ নিদি বহু নিন্দা বুলিবে বচন॥
নিন্দা শুনি কৃষ্ণৰ যে কোপ উপজিব।
চক্ৰৰ মাৰিয়া তাক মাথাক ছেদিবো॥
হেন শুনি ধোবা পাছে কাতৰ কৰন্ত।
প্ৰভু ৰামচন্দ্ৰ মোক দিয়ো শাপ অন্ত॥
মই মহা অজ্ঞানিৰ দোষ ক্ষমা কৰা।
শৰণা গতক প্ৰভু দাস বুলি ধৰা॥

দাশিব্দ বংসশ প্ৰভু ভৈলন্ত গন্দ ।
চিণ্ডি মুণ্ড সাৰুপ্যক পাইবি নিশ্চয় ॥
ৰামৰ বচন অবে এহি মানে থৈল
শেখৰ স্তৱৰ কথা কহিলাক কৈল ॥
পীত বস্ত্ৰ আসি যেৱে সেহি বস্ত্ৰ ভেলা ।
গো কসে নাৰায়ণ ভূষণ কৰিলা ॥
সেদিনে ৰজক জানা নিজ ধোপা ভৈল ।
সাৰুপ্য মুক্তি পায় তথাপি আসিল ॥
আত ৰঘুপতি নাম তাহাৰো ভৈলন্ত ।
শ্ৰবণ কীৰ্ত্তন কৰি বৈকুণ্ঠে গৈলন্ত ॥
বৰপেতা থানে ৰঘুপতি মৃত্যু ভৈলা ।
দুই দিন ভকতে সকলে নজানিলা ॥
তৃতীয় দিনত বালাবামে দেখিলন্ত ।
হেন দেখি মোক পাছে কথা কহিলন্ত ॥
মাধবে বোলন্ত সিতো গৃহিনে উদাস ।
হেন শুনি শঙ্কৰে যে তুলি লন্ত হাস ॥
বুড়া থাৰ সমীপতে তাহাৰ যে ঘৰ ।
সিতো গৃহ এৰি সঙ্গ লৈল ভকতৰ ॥
হাটিৰ মূৰত বাসা তেহন্তে ভৈলন্ত ।
গৃহক গেলেক বুলি কেহো নোপোজন্ত ॥
বলো ৰাম সৰ্ব্বজয় ভকত সকল ।
বোলে নাম নলৈলে কথাৰ কিবা ফল
হেন শুনি মোৰ মনে বিষাদ লাগিল ।
আমি তাৰ গৃহে গৈলো লাগিয়া উঠিল ॥

তিনি পৰমানে সিটো বসিয়া আছিলা।
মোৰ নাম লৈয়া পুনু নিজ থানে গৈলা ॥
শুনি মাধৱৰ মনে সংসয় গুছিলা।
পুনৰপি কৰযোড়ে পুছিবে লাগিলা ॥
অক্ৰূৰৰ ৰথ খান কোনে তেতে ভৈল।
শুনি ইষ্ট বন্ধু মোক কহিবাক লৈল ॥
গৰুড়ৰ দুই পখা দুই গোটা পাৱ।
চাৰি গোটা ঘোৰা আসি ভৈল সেহি থাৱ ॥
ৰথৰ জুয়লি ভৈল গাণ্ডি গোটে যায।
ছোট গোট যেন তাৰ ধ্বজৰ পৰায় ॥
আৰু পাখা সবে যেবে যাঘ জৰি ভৈল।
ৰথৰ চাবুক অক্ৰূৰৰ সেৱা হৈল ॥
আপোন বাহন জানি তাহতসে উঠিলো।
তুমি আমি তাতে চৰি মথুৰাক গৈলো ॥
মহা অদভুত শুনি বিস্ময় লভিলো।
অনেক কাতৰ কৰি কথাক শুধিলো ॥
তোমাৰ বাহনে বাপ যেবে ৰথ ভৈল।
কিনো ভাগ্য অক্ৰূৰৰ তাহত চড়িল ॥
কহিলন্ত মোত পাছে গুৰু কৃপাময়।
যি কাৰণে অক্ৰূৰৰ ভৈলা ভাগ্যোদয় ॥
কংসে পাঠিলেক মন্ত্ৰ মনত বাখিল।
মাধৱৰ পাৱে মন চিত্ত নিবেদিল ॥
অক্ৰূৰৰ ক্ৰূৰ বুদ্ধি সবে দূৰ গৈল।
ধ্বজ বজ্ৰ পঙ্কজৰ মাথে ধূলি লৈল।

আৰু এক কথা কহো শুনা মন কায়।
ইটো চন্দনক কুজি দিলন্ত সাদৰি॥
চন্দনে সহিতে পাত্ৰ ভৈল যিবা আসি।
তাহাৰ বৃত্তান্ত কহো শুনা মহাজসি॥
ঈশ্বৰক পুজিবে ভৰতে আৰম্ভিল।
অৰ্থ কৰান্দৰ পুষ্প তথাতে মিলিল॥
বৈকুণ্ঠৰ খুড়িতাক মনত ধৰিল।
হৃদযত যুক্তি কৰি কৃষ্ণক পুজিল॥
এক দিনা ভৰতে পূজাক কৰিলন্ত।
সুৰুচি নামে বিদ্যাধৰি তৈতে ঠেকিলন্ত॥
কৃষ্ণৰ চৰণ চিত্তে মনত ধিয়াই।
মহা যোগেশ্বৰ সিটো ভৰত গোসাই॥
কৃতাঞ্জলি কৰি আগে উতপন হৈল।
ভৰতক নানা ভাৱে বুলিবে লাগিল॥
কামাতুৰ হৈয়া ভৰতক ঠেকিলন্ত।
চক্ষু মেলি ভৰতেয়ো তাইক দেখিলন্ত॥
হা ওৰে পু [illegible] তয় অধম নিশালী।
কিবা হেতু তয় মোৰ ধ্যান ভঙ্গ কৈলি।
যাতো বন্ধ হ স্ত মোৰ পা [illegible] মন॥
ৰাক্ষসি'ণ হ [illegible]
সুৰুচি'য [illegible]
স্বামি বৰিনাক আইলো আশা [illegible]
মিলোক আমাক যিতো দিলা [illegible]
ইহাৰ অন্তক দিয়া জগতৰ বাপ॥

কেন মতে মুক্ত হৈবো কহিয়ো কাৰুণী ।
ভৰতে বোলন্ত ৰাম জন্মিবে যেসানি ॥
ৰাম, লক্ষ্মণ, সীতা বনবাশে যাইব ।
সুৰ্পণখা ৰাক্ষসী যে তোৰ নাম হৈব ॥
ৰামক বৰিবে । স্বামী তয় তৈকে যাইবি ।
আশা ভঙ্গ হুইবি মাত্র তাহাঙ্ক নপাবি ॥
সীতাক খাইবেক যাবি কোপ মনে ।
কাটিবেক কাণ নাক ধৰিয়া লক্ষ্মণে ॥
কৃষ্ণ অৱতাৰ হৈবে, হুইব গোকুলত ।
কংশ দাসী হৈয়া তয় জন্মিবি তহিত ॥
জোগাইবি চন্দন তয মহা ৰুচিকৰ ।
কংশ বধিবাক পাছে যাইব দামোদৰ ॥
আসি ভৃত্য বাক্য সাৰ্ফলিব নাৰায়ণ ।
ক্ৰীড়িবেক তোক পাছে দৈৱকী নন্দন ॥
হৈবেক তোমাৰ নাম কুজি সি জনমত ।
তাহে খুণ্ড চন্দনৰ হুইব গাত্র গোট ॥
মই যিটো চন্দনক দিয়ো ঈশ্বৰক ।
সেইটো চন্দন তয় দিবিহি কৃষ্ণক ॥
শুনা সৰ্ব্বজনে ইতো কথা অনুপাম ।
গাবেক দ্বিজোক ডাকি বোলা ৰাম ৰাম ॥

——✽:✽——

দুলড়ি ।

পুছোহো মাধৱে, বোলে প্রভু মোৰ,
চেদিয়ো এক শংসয় ।
পূর্ণ নাম কাক, বোলে মোত আবে,
কহিয়ো কৰি নিশ্চয় ॥
তযু মুখে শুনি, গোপনীয় ভক্তি,
মনে খেদ বাঢ়ি যায় ।
ইবাৰ যিমতে, তোমাৰ অভয়,
পদে মোৰ হোৱে ঠাই ॥
হেন শুনি আত, শঙ্কৰে বোলন্ত,
শুনিয়ো মাধৱ প্রাণ ।
তোমাৰ বিনায়, কতো নায় নায়,
মোৰ ইষ্ট বন্ধু আন ॥
যি কথা পুছিলা, ইটো মহা গুৰু,
আক কেৱে নজানয় ।
একান্ত পৰম, ঋষি ধর্ম্মোত্তম,
নাৰদে মাত্র জানয় ॥
তথাপি তোমাক, কহিয়ো ইহাক,
তুমি কাতো নকহিবা ।
একান্ত স্বৰূপে, বুদ্ধি অনুৰূপে,
হৃদয়ে মাত্র চিন্তিবা ॥

বসুদেৱ জয়, জগন্নাথ প্ৰভু,
শঙ্খ চক্ৰ গদাধৰ।
অনাদি অনন্ত, শান্ত, নিত্যানন্দ,
শুদ্ধ ব্ৰহ্মা হৰি হৰ॥
জগ জীৱ, জগ, পালক অচ্যুত,
কংশ অৰি মধু ৰিপু।
মৎস্য নৰসিংহ, বাৰাহ বিৰিঞ্চ,
ৰাঘৱ জয় জয়তি॥
পিতাম্বৰ ধৰ, শ্ৰীবৎস বৎসল,
উপেন্দ্ৰ বটু বামণ।
হলিৰাম নাম, হলাউধ কূৰ্ম্ম,
শিৱনাথ জনাৰ্দ্দন॥
বোধ কল্কি অত, শ্ৰীমন্ত সন্নত,
বংশীধৰ মৰহৰি।
এতেক নামৰ, শক্তি বহুতৰ,
এক কৃষ্ণে আছে ধৰি॥
ফনায়ে অনন্ত, চক্ৰ ধৰিলন্ত,
দেৱকীত জাত ভৈলা।
বসুদেৱ শস্ত লৈয়া লাবিলন্ত,
নন্দ গৃহে নিয়া থৈলা॥
গোকুলত হৰি, শিশু লিলা কৰি,
চলি গৈলা বৃন্দাবন।
গোৱালৰ চৱা, সহিতে তহিত,
কৰিলা বৎস পালন॥

যমুনাৰ তীৰে, বেণু বাদ্য কৰি,
গোপিকাৰ চিত্ত হৰি।
তাসবাৰ গৰ্ব্ব, বাঢ়িল দেখিয়া,
অন্তৰ্দ্ধান ভৈলা হৰি ॥
গোপিনী সকল, ভৈলন্ত আকুল,
বিচাৰি ফুৰন্ত বনে।
ৰাধাক লগত, লৈয়া লবিলন্ত,
কি হেতু নন্দ নন্দনে ॥
সিকাৰণে ৰাধা, বুলিতে লাগিলা,
খোজেকো যান্তে নোৱাৰো।
শুনি অল্প কৰি, বুলিলন্ত হৰি,
কান্ধে বহিবাক পাৰো ॥
কপট বচন, বুজিবে নপাৰি,
কান্ধে চড়িবাক গৈল।
অন্তৰ্দ্ধান হয়া, তেতিক্ষণে কৃষ্ণ,
ৰাধাৰ পাৰে লুকাইল ॥
দেৱাতাবো দেৱ, যিটো ভগৱন্ত,,
অনন্তে অন্ত নাপায়।
নন্দৰ নন্দন, ব্ৰজৰ ভূষণ,
ৰাধ'ৰ পাৰে লুকাই ॥
এহিসে কাৰণে, পূৰ্ণনাম ৰাধা,
শুনিয়ো মাধৱ তুমি।
কৃষ্ণ নিজ পূৰ্ণ হাতো কৰি পূৰ্ণ,
ৰাধা নামে কৈলো আসি ॥

জাননী।

তলত লেখা কিতাপ বিলাক আমাৰ ঠাইত [illegible]

কীৰ্ত্তন ঘোষা পকাবন্ধা	২৲	বৃহৎ চৈতন্য পুথি [illegible]	
ঐ কেছাবন্ধা	১৷৷০	পাতালী কাণ্ড	
মহীৰাৱণ বধ পৰ্ব্ব	২৲	ৰামায়ণ	৷৷৶০
কুলাচল বধ পৰ্ব্ব	১৷৷০	গুণমণি	৷৶০
ভক্তিৰত্নাৱলী	১৲	কলঙ্ক ভঞ্জন	৷৶০
ভক্তিপ্ৰেমাৱলী	১৲	মনোহৰ কুসুম	৷৶০
সিন্ধুৰা পৰ্ব্ব	১৲	অমূল্যৰত্ন	৷৶০
দশম স্কন্ধ ভাগৱত	১৷০	পদ্ম পুৰাণ	৷৶০
ঐ পকাবন্ধা	২৲	কলিকা পুৰাণ	৷৶০
শঙ্খচূৰ বধ	১৷৷০	বড় কৰ্ত্তি	৷৶০
ৰুক্মিণী হৰণ	৸০	বৰ বেজালি	৷০
কুসুম হৰণ	৷৷০	সুধন্বা বধ পৰ্ব্ব	৷৶০
ঊষা হৰণ	৷৶০	পক্ষী চৰিত	৷৶০
ৰাধাহৰণ	৷০	বৈৱৰ্ত্ত পুৰাণ	৷৷০
পাৰিজাত হৰণ	৶০	আইনাম	৷০
শিশুপাল বধ	৶০	শক্তিশেল	
মহীৰাৱণ বধ	৷০	অশ্বমেধ যজ্ঞ	৷৶০
বড়গীত গুণমালা ভটিমা	৸৶০	নামতী আই	৷৶০

শ্ৰীনন্দেশ্বৰ চক্ৰৱৰ্ত্তী।

পোঃ আঃ বিহাবাৰী আসাম।